**ৰাহুল গান্ধীক আন এক দায়িত্ব**

নতুন দিল্লী, ২৭ ছেপ্টেম্বৰঃ লোকসভাৰ বিৰোধী নেতাৰ পিছত এইবাৰ সংসদৰ আন এক গুৰুত্বপূৰ্ণ ৪ পৃষ্ঠাত চাওক

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, SEPTEMBER 28, 2024 ■ শনিবাৰ।। ১১ আহিন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৬৬ Guwahati, Assam ।। মূল্যঃ এটকা

## জঘন্য! স্কুলৰ উন্নতিৰ বাবে হাথৰছত ছাত্ৰক বলি শিক্ষকৰ

**লক্ষ্ণৌ, ২৭ ছেপ্টেম্বৰঃ** পাৰিবাৰিক ব্যৱসায়ৰ অংশ বিদ্যালয়খনৰ কোনো উন্নতি নাই, দিনক দিনে হ্ৰাস পাইছে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা। এনে কাৰণতে বিদ্যালয়খনলৈ পুনৰ সমৃদ্ধি ঘূৰাই আনিবলৈ তান্ত্ৰিক পিতৃৰ পৰামৰ্শমতে চলোৱা হ'ল 'নৰবলি'ৰ প্ৰস্তুতি। পৰিকল্পনা অনুসৰিয়েই





হোষ্টেলৰ পৰা নিশা অপহৰণ কৰি নিয়া হ'ল ১১ বছৰীয়া এটি শিশুক, আৰম্ভ হ'ল তন্ত্ৰ-মন্ত্ৰৰ সাধনা। কিন্তু টোপনিৰ পৰা সাৰ পাই শিশুটিয়ে নিজকে আচহুৱা স্থানত পাই কান্দিবলৈ আৰম্ভ কৰাত মুখ বন্ধ কৰিবলৈ ডিঙি চেপি হত্যা কৰিলে নৰবলিৰ আয়োজক কেইজনে। এই শেষাংশ ৪ পৃষ্ঠাত

# বিপ্লৱ শৰ্মাৰ প্ৰতিবেদনত কিমানটা পৰামৰ্শ আছে?

৩৬খনকৈ বৈঠক হৈছিল ভিন্ন স্থানত

দল-সংগঠন, ব্যক্তিয়ে দিছিল বহু পৰামৰ্শ

ষষ্ঠ অনুসূচীৰ কথাও আছে এই প্ৰতিবেদনত

ভূমিৰ পট্টা দিয়াৰ বাবে বান্ধি দিলে ৩ বছৰ


প্ৰতিবেদনত বৰাকৰো আছে বিশেষ উল্লেখ

■ ডি জে ধনন্তৰি

**প্ৰতিবেদন নহয়, এয়া যেন এক যাদুকৰী কাগজহে! ন্যায়াধীশ বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদনক এতিয়া তেনে ৰূপ দিবলৈকেই চৰকাৰ উঠি-পৰি লাগিছে।**

পিছে যাদুকৰী কাগজত ফু মাৰিব কোনে? হয়তো এই কথা আগতেই অনুধাৱন কৰিব পাৰিছিল আয়োগে। সেয়ে আয়োগে প্ৰতিবেদনত উল্লেখ কৰা পৰামৰ্শৱলীসমূহ কাৰ্যকৰী কৰিবলৈকো আন এখন কমিটি গঠন কৰাৰ কথা উল্লেখ কৰি গৈছে। এই কমিটিখনক নেতৃত্ব দিব লাগিব উচ্চতম ন্যায়ালয় অথবা উচ্চ ন্যায়ালয়ৰ এগৰাকী অৱসৰপ্ৰাপ্ত ন্যায়াধীশে। কমিটিখনত সদস্য হিচাপে থাকিব লাগিব কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ প্ৰতিনিধি, ৰাজ্য চৰকাৰৰ প্ৰতিনিধি আৰু সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰতিনিধি। এই কমিটিখনে বিপ্লৱ শৰ্মা আয়োগে আগবঢ়োৱা পৰামৰ্শৱলী সঠিকভাৱে কাৰ্যকৰী কৰা হৈছে নে নাই সেই সম্পৰ্কে চোৱা-চিতা কৰিবলৈ প্ৰতি তিনিমাহৰ মূৰে মূৰে এবাৰ বৈঠকত মিলিত হ'ব লাগিব। প্ৰতিবেদনখনৰ অষ্টম অধ্যায়ৰ একেবাৰে শেষৰফালে এই কথা কোৱা হৈছে। পৰামৰ্শৱলীসমূহ নিৰ্ধাৰণ কৰিবলৈকো সময়সীমা নিৰ্ধাৰণ কৰি দিছে আয়োগে। এই অনুযায়ী প্ৰতিবেদনখন জমা শেষাংশ ২ পৃষ্ঠাত

**অসমীয়া লোকৰ সাংস্কৃতিক, সামাজিক, ভাষিক, ঐতিহ্যৰ সুৰক্ষা, সংৰক্ষণ, প্ৰচাৰ তথা প্ৰসাৰৰ বাবে ১৮টা পৰামৰ্শ**



REPORT
OF THE COMMITTEE
ON IMPLEMENTATION OF
CLAUSE 6 OF THE ASSAM ACCORD

Constituted by
Government of India,
Ministry of Home Affairs

Mr. Justice Biplab Kumar Sharma,
Former Judge, Gauhati High Court
Chairman

Guwahati
February 10, 2020

■ চাহ বাগিচাৰ ভূমি চৰকাৰৰ অনুমতি অবিহনে যাতে অইনে দখল কৰিব নোৱাৰে তাৰ বাবে অতি কঠোৰ ব্যৱস্থা গ্ৰহণৰ পৰামৰ্শ

- প্ৰতিবেদনৰ পৰামৰ্শসমূহ কাৰ্যকৰী কৰা হৈছে নে নাই সেয়া চোৱা-চিতাৰ বাবে গঠন কৰিব লাগিব কমিটি
- প্ৰতিবেদন দাখিলৰ দুবছৰৰ ভিতৰত পৰামৰ্শসমূহ কাৰ্যকৰী কৰাৰ পোষকতা কৰিছে আয়োগে
- ষষ্ঠ অনুসূচীৰ পৰিষদসমূহক লৈ সম্পন্ন চুক্তিৰ সিদ্ধান্ত তাৎক্ষণিকভাৱে প্ৰণয়নৰ ব্যৱস্থা কৰিবলৈ পৰামৰ্শ

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিপ্লৱ শৰ্মাৰ প্ৰতিবেদনত কিমানটা

দিয়াৰ ২ বছৰৰ ভিতৰত সেইসমূহ কাৰ্যকৰী কৰাৰ পোষকতা কৰিছে বিপ্লৱ শৰ্মা আয়োগে। গুৱাহাটী, ডিফু, তেজপুৰকে আদি কৰি ৰাজ্যৰ ভিন্ন প্ৰান্তত ৩৬ খনকৈ বৈঠক অনুষ্ঠিত কৰি প্ৰায় ১০০ৰো অধিক দল-সংগঠন তথা ২০০ৰো অধিক সাংবিধানিক বিশেষজ্ঞ, চিন্তাবিদ, বুদ্ধিজীৱি, সচেতন নাগৰিকৰে হোৱা আলোচনাৰ অন্তত প্ৰায় ৫৩টাৰো অধিক পৰামৰ্শ আৰু কেবাটাও সিদ্ধান্ত যুগুত কৰি ২০২০ চনৰ ১০ ফেব্ৰুৱাৰীত নিৰ্ধাৰিত সময়ৰ ভিতৰতে প্ৰতিবেদন দাখিল কৰিছিল ১৩ জনীয়া সদস্যৰে গঠিত ন্যায়াধীশ বিপ্লৱ শৰ্মা নেতৃত্বাধীন উচ্চস্তৰীয় কমিটিখনে। প্ৰতিবেদনখন দাখিল কৰাৰ প্ৰায় ৪ বছৰ পাৰ হৈ গ'ল যদিও আজিও ইয়াক লৈ সৰ্বসাধাৰণ ৰাইজ বাদেই, ৰাজনৈতিক দলসমূহৰ মাজতো ধোঁৱলী-কুঁৱলী পৰিৱেশ অব্যাহত থকা পৰিলক্ষিত হৈছে। ১৪১ পৃষ্ঠাৰ বৰ্ণনাভিত্তিক এই প্ৰতিবেদনখনত আছে ৯টা অধ্যায়। প্ৰথম অধ্যায় অৰ্থাৎ প্ৰস্তাৱনাত অসম চুক্তিখনো সন্নিবিষ্ট কৰা হৈছে। দ্বিতীয় অধ্যায়ত আছে পৃষ্ঠভূমি, লগতে উল্লেখ কৰা হৈছে বিভিন্ন সম্পৰ্কিত বাতৰি আৰু ঘটনা প্ৰৱাহ। তৃতীয় অধ্যায়ত বিভিন্ন দলং-সংগঠনৰে আলোচনা, সাংবিধানিক বিশেষজ্ঞৰ পৰামৰ্শ আদি গ্ৰহণৰ অন্তত প্ৰতিবেদনখন কি পদ্ধতিৰে যুগুত কৰা হৈছে সেই সম্পৰ্কে উল্লেখ আছে। চতুৰ্থ অধ্যায়ত দল-সংগঠনসমূহে আগবঢ়োৱা পৰামৰ্শসমূহৰ তাত্বিক বিশ্লেষণ কৰা হৈছে। পঞ্চম অধ্যায়ত কমিটিখনে কি কি ইছ্যু বিবেচনা কৰিছে সেয়া উল্লেখ কৰিছে। অধ্যায়টোত উল্লেখ থকা অনুযায়ী মুঠ ৯টা ইছ্যুক গুৰুত্বসহকাৰে লোৱা হৈছিল। এই ইছ্যুসমূহৰ অন্যতম হৈছে অসম চুক্তিৰ ৬নং দফা কাৰ্যকৰীকৰণ, অসমীয়াৰ সংজ্ঞা নিৰ্ধাৰণ, অসমীয়া ভাষাৰ সুৰক্ষা আদি। ষষ্ঠ অধ্যায়ত ইছ্যুসমূহক লৈ উপনীত হোৱা সিদ্ধান্তৰ উল্লেখ আছে। এই অধ্যায়টোতে ইছ্যুসমূহৰ বিশ্লেষণৰ অন্তত অসমীয়া কোন সেই সম্পৰ্কে সিদ্ধান্তত উপনীত হৈছে বিপ্লৱ শৰ্মা আয়োগ। আয়োগে উপনীত হোৱা সিদ্ধান্তত কোৱা হৈছে যে ১৯৫১ চনৰ ১ জানুৱাৰীৰ পূৰ্বৰে পৰা অসমত বাস কৰি থকা অসমীয়া, জনজাতীয় ভূমিপুত্ৰ কিম্বা আন যিকোনো ভূমিপুত্ৰ তথা আন যিকোনোধৰণৰ ভাৰতীয় নাগৰিকসকল আৰু এই সকলোৰে উত্তৰাধিকাৰীসকলেই হৈছে অসমীয়া। এই সিদ্ধান্ত অনুযায়ী নিৰূপিত অসমীয়া লোকসকলক অসম চুক্তিৰ ৬নং দফা অনুযায়ী সুৰক্ষা প্ৰদান কৰিবৰ বাবেই আয়োগে ৭নং অধ্যায়ত চৰকাৰক উদ্দেশ্যি বৰ্ণনাত্মকৰূপত প্ৰায় ৫০টাৰো অধিক পৰামৰ্শ তথা মতামত আগবঢ়াইছে। অষ্টম অধ্যায়ত সেই পৰামৰ্শৰালী আৰু মতামতসমূহ সংক্ষেপে উল্লেখ কৰা হৈছে। এই অধ্যায়ত আয়োগে অসম চুক্তি মৰ্মে স্থাপন কৰা হোৱা শংকৰদেৱ কলাক্ষেত্ৰ, জ্যোতি চিত্ৰবন, আনন্দৰাম বৰুৱা ইনষ্টিটিউট অব লেংগুৱেজ, আৰ্ট এণ্ড কালচাৰ আদি স্থাপনক লৈ সন্তুষ্টি প্ৰকাশ কৰিছে আৰু এই প্ৰতিষ্ঠানসমূহৰ আৰু অধিক উন্নীতকৰণৰ প্ৰয়োজন আছে বুলি মতামত আগবঢ়াইছে। সত্ৰসমূহৰ ৰক্ষণাবেক্ষণক লৈ চৰকাৰে হাতত লোৱা কাম-কাজক লৈ কিছু সন্তুষ্টি ব্যক্ত কৰিলেও এইক্ষেত্ৰত চৰকাৰৰ আৰু অধিক কৰণীয় আছে বুলিও মন্তব্য আগবঢ়াইছে আয়োগে। মতামতসমূহৰ অন্তত আয়োগে অসমীয়াৰ সুৰক্ষাৰ বাবে কেবাটাও ভাগত ভাগ কৰি পৰামৰ্শৰলী আগবঢ়াইছে। এই পৰামৰ্শৰলীয়ে ব্ৰহ্মপুত্ৰ উপত্যকাৰ লগতে বৰাক উপত্যকাকো সাঙুৰি লোৱা দেখা গৈছে। লগতে ষষ্ঠ অনুসূচীৰ অন্তৰ্গত অঞ্চলসমূহকলৈয়ো আয়োগে কেতবোৰ পৰামৰ্শ আগবঢ়োৱা দেখা গৈছে।

৭.৩.৪ নং পৰামৰ্শত আয়োগে স্পষ্টকৈ ষষ্ঠ অনুসূচীৰ অন্তৰ্গত কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদ, উত্তৰ কাছাৰ পাৰ্বত্য অঞ্চল স্বায়ত্ব শাসিত পৰিষদ আৰু বড়োলেণ্ডৰ কথা উল্লেখ কৰিছে। আয়োগে ষষ্ঠ অনুসূচীৰ অন্তৰ্গত এই অঞ্চলসমূহৰ কথা উল্লেখ কৰি এতিয়ালৈকে উক্ত অঞ্চলসমূহক লৈ যি যি চুক্তি কৰা হৈছে সেই চুক্তিসমূহ তাৎক্ষণিকভাৱে কাৰ্যকৰী কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। চুক্তি কাৰ্যকৰী কৰিবলৈ যাওতে উক্ত অঞ্চলত বসবাস কৰা সকলো খিলঞ্জীয়া লোকেই যাতে উপকৃত হয় আৰু সকলোৰে যাতে অধিকাৰ সুৰক্ষিত থাকে তাৰপ্ৰতিও চকু ৰাখিবলৈ সকীয়াই দিছে আয়োগে।

৭.৩.৫ নম্বৰ পৰামৰ্শত ৰাভা হাছং স্বায়ত্ব পৰিষদ, তিৱা স্বায়ত্ব পৰিষদ, সোণোৱাল কছাৰী স্বায়ত্ব পৰিষদ, মিচিং স্বায়ত্ব পৰিষদকে আদি কৰি প্ৰতিখন স্বায়ত্ব পৰিষদত পৰ্যাপ্ত বিত্তীয় আৰু প্ৰশাসনিক সাহায্য প্ৰদানেৰে সম্পূৰ্ণৰূপে সক্ৰিয় কৰি তুলিবলৈ কোৱা হৈছে।

আয়োগে এই প্ৰতিবেদনত অসমীয়া ভাষাৰ লগতে আন থলুৱা ভাষাৰ সুৰক্ষাক অতি গুৰুত্বসহকাৰে লোৱা পৰিলক্ষিত হৈছে। অসমীয়া ভাষাৰ অস্তিত্ব যাতে বিপদাপন্ন হৈ নপৰে তাৰ বাবে ৰাজ্যভাষা আইন, ১৯৬০ পূৰ্ণৰূপত প্ৰণয়ন কৰিবলৈ চৰকাৰক পৰামৰ্শ আগবঢ়াইছে। আন থলুৱা ভাষা ব্যৱহাৰ কৰা লোকৰ সংখ্যা তাকৰ হ'লেও সেই ভাষাসমূহকো সুৰক্ষা দিবলৈ চৰকাৰক পৰামৰ্শ আগবঢ়াইছে আয়োগে। অসমীয়া ভাষাৰ সুৰক্ষাৰ বাবে আয়োগে চৰকাৰক মুঠ ১৭টা পৰামৰ্শ আগবঢ়াইছে। এইসমূহৰ ভিতৰত অন্যতম হ'লঃ

- অসম চৰকাৰী ভাষা আইন, ১৯৬০ সঠিকৰূপত প্ৰণয়ন কৰা।
- অসমৰ সকলো চৰকাৰী কাম-কাজত অসমীয়া ভাষাৰ প্ৰয়োগ আৰু ব্যৱহাৰ সুনিশ্চিত কৰা।
- অসমৰ সৈতে সম্পৰ্কিত তথা আন যিকোনোধৰণৰ কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনাৰ অসমীয়া সংস্কৰণ নিৰ্ধাৰিত সময়ৰ ভিতৰত প্ৰকাশৰ ব্যৱস্থা কৰা।
- এখন স্বতন্ত্ৰ ভাষা আৰু সংস্কৃতি পৰিষদ গঠন কৰা।
- অষ্টম অথবা দশম শ্ৰেণীলৈ চৰকাৰী-বেচৰকাৰী, ৰাজ্যিক তথা কেন্দ্ৰীয় ব'ৰ্ডৰ অধীনস্থ ইংৰাজী মাধ্যমৰ বিদ্যালয়ত অসমীয়া ভাষা বাধ্যতামূলক কৰা।
- সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা আৰু সাহিত্যাচাৰ্য পদ্মনাথ গোহাঞি বৰুৱাৰ নামত আসন খুলি শিলচৰৰ অসম বিশ্ববিদ্যালয় আৰু আৰু তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত অসমীয়া ভাষা বিভাগ প্ৰতিষ্ঠা কৰা।
- সাহিত্য অকাডেমীৰ ৰাজ্যিক শাখা অসমত স্থাপনৰ ব্যৱস্থা কৰা।
- কলকাতাৰ নেশ্যনেল লাইব্ৰেৰীৰ আৰ্হিত বহুভাষিক এটি পুথিভঁৰাল স্থাপন কৰা।
- সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ নামত প্ৰতিখন জিলা সদৰত একোটাকৈ সাংস্কৃতিক প্ৰকল্প নিৰ্মাণ কৰা।
- অসমীয়া সংস্কৃতিৰে পৰিপূৰ্ণ এটাকৈ সাংস্কৃতিক প্ৰকল্প দেশৰ প্ৰতিখন গুৰুত্বপূৰ্ণ চহৰতে খোলাৰ ব্যৱস্থা কৰা।

একেদৰে চৰকাৰী-বেচৰকাৰী চাকৰিৰ ক্ষেত্ৰত অসমীয়াৰ বাবে ৮০ শতাংশ আসন সংৰক্ষণৰ পৰামৰ্শও আগবঢ়াইছে আয়োগে। কেন্দ্ৰীয় চৰকাৰৰ গ্ৰুপ চি আৰু গ্ৰুপ ডিৰ চাকৰিতো ৮০ শতাংশ আসন সংৰক্ষণ কৰিবলৈ পৰামৰ্শ দিছে আয়োগে। অসম চুক্তিৰ পূৰ্ণ ৰূপায়ণৰ পৰামৰ্শ আগবঢ়াই আয়োগে অসমৰ সংসদীয় আসনত ৮০ শতাংশ আসন অসমীয়াৰ বাবে সংৰক্ষণ কৰাৰো পোষকতা কৰিছে।

এইক্ষেত্ৰত পৰামৰ্শ প্ৰদান কৰোঁতে আয়োগে সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰতিনিধিয়ে ১০০ শতাংশ আসন সংৰক্ষণৰ পোষকতা কৰাৰ কথাও উল্লেখ কৰা দেখা গৈছে। ৰাজনৈতিক সুৰক্ষাৰ বাবে আয়োগে আগবঢ়োৱা আন এক উল্লেখযোগ্য পৰামৰ্শ হৈছে অসমত উচ্চ সদন গঠনৰ বাবে পদক্ষেপ গ্ৰহণ কৰা। এই উচ্চ সদন কেৱল অসমীয়াৰ বাবে সংৰক্ষিত হ'ব লাগে বুলিও আয়োগে ৭.৩.৬নং পৰামৰ্শত স্পষ্টকৈ উল্লেখ কৰিছে।

চাকৰি আৰু ৰাজনৈতিক সংৰক্ষণৰ উপৰিও আয়োগে ভূমিৰ অধিকাৰকো প্ৰাধান্য দিছে। আয়োগে হৰিশংকৰ ব্ৰহ্মৰ ভূমি সম্পৰ্কীয় পৰামৰ্শ কাৰ্যকৰী কৰাৰ পৰামৰ্শ আগবঢ়োৱাৰ লগতে ১৪টাকৈ নিজাববীয়া পৰামৰ্শও সন্নিবিষ্ট কৰিছে। এইসমূহৰ ভিতৰত অন্যতম পৰামৰ্শসমূহ উল্লেখ কৰা হ'ল—

- অসমীয়া লোকেহে ক্ৰয়-বিক্ৰয় কৰিব পৰা ৰাজহ চক্ৰসমূহ চৰকাৰে চিনাক্ত কৰি উলিয়াব লাগিব। এইক্ষেত্ৰত অৱশ্যে নগৰাঞ্চলক বাদ দিয়াৰ কথা কোৱা হৈছে।
- কৃষিভূমিৰ শ্ৰেণী পৰিৱৰ্তন যাতে কোনো কাৰণতে সম্ভৱ হৈ নুঠে তাৰ বাবে চৰকাৰক ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। শ্ৰেণী পৰিৱৰ্তনত গাঁওসভাৰ অনুমোদন বাধ্যতামূলক কৰিবলৈকো পৰামৰ্শ আগবঢ়াইছে আয়োগে। **(বাকী অংশ ৩ পৃষ্ঠাত চাওক)**

■ দ্বিতীয় পৃষ্ঠাৰ পৰা...

# বিপ্লৱ শৰ্মাৰ প্ৰতিবেদনত কিমানটা

■ গুৱাহাটীৰ পৰা টিহুলৈ পূৰ্বে নিৰ্ধাৰণ কৰা ঔদ্যোগিক বলয়ৰ বাদে কৃষি অনুপযোগী মাটি নিৰ্ধাৰিত সময়ৰ ভিতৰত চিনাক্ত কৰিব লাগিব। কিন্তু কোনো কাৰণতে প্ৰাথমিক কৃষিভূমি হ'ব নোৱাৰিব।

■ অসমীয়া মানুহে যাতে ধনৰ অবাৱত মাটি বিক্ৰী কৰিবলগীয়া নহয় তাৰ বাবে উদ্যান শস্য, পশুপালন আদি অসমীয়া যুৱক-যুৱতীক সহায় কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে।

■ ৩ বছৰৰ ভিতৰত অসমীয়া লোকক ভূমিৰ পট্টা প্ৰদান কৰিবলৈ কোৱা হৈছে।

■ চৰ অঞ্চলত ছাৰ্ভে কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। নতুন চৰবোৰ চৰকাৰী ভূমি বুলি গণ্য কৰি তেনে ভূমি খহনীয়াত ক্ষতিগ্ৰস্তসকলক সংস্থাপনৰ লগতে কৃষিকাৰ্যত ব্যৱহাৰৰ পৰামৰ্শ আগবঢ়াইছে।

■ চাহ বাগিছাৰ ভূমি যাতে চৰকাৰৰ অনুমতি অবিহনে প্ৰকৃত গৰাকীৰ পৰা লীজ আদি দিয়াৰ নামত আনৰ হাতলৈ নাযায় তাৰ বাবে কঠোৰ ব্যৱস্থা কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে।

■ চাহ বাগিছাৰ মাটি আন কামত ব্যৱহাৰ যাতে নহয় তাৰ প্ৰতিও চৰকাৰক কঠোৰ দৃষ্টি ৰাখিবলৈ কৈছে।

■ ট্ৰাইবেল বেল্ট আৰু ব্লকৰ ভূমিক নগৰাঞ্চলৰ সম্প্ৰসাৰণৰ আওতাৰ পৰা বাদ দিবলৈ পৰামৰ্শ আগবঢ়াইছে।

■ জলাহভূমি, পিজিআৰ, ভিজিআৰ বেদখলমুক্ত কৰা।

■ ৰাজহ বিভাগৰ খালী পদসমূহ পূৰণ কৰা।

ৰাজনৈতিক, সংস্থাপন, ভাষা আৰু ভূমিৰ অধিকাৰ সুৰক্ষা কৰাৰ উপৰিও আয়োগে সাংস্কৃতিক, সামাজিক, ভাষিক আৰু ঐতিহ্যৰ সুৰক্ষাৰ বাবেও চৰকাৰক ১৮টা পৰামৰ্শ আগবঢ়াইছে। এই ১৮টা পৰামৰ্শৰ কেতবোৰ গুৰুত্বপূৰ্ণ পৰামৰ্শ উল্লেখ কৰা হৈছে।

■ সত্ৰ, নামঘৰ আৰু আন ঐতিহ্যমণ্ডিত ধৰ্মীয় অনুষ্ঠানৰ সংৰক্ষণ আৰু সুৰক্ষাৰ ব্যৱস্থা কৰা। ইয়াৰ বাবে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ সাহায্যত স্বতন্ত্ৰ পৰিষদ গঠন কৰা।

■ পশ্চিমবংগৰ কোচবিহাৰত থকা মধুপুৰ সত্ৰৰ সংবৰ্ধনৰ বাবে কেন্দ্ৰ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰা।

■ সকলো বিদ্যালয়তে অষ্টম শ্ৰেণীলৈ অসম বুৰঞ্জী বাধ্যতামূলক কৰা।

■ জিকিৰ আৰু জাৰিৰ সংৰক্ষণৰ ব্যৱস্থা কৰা আৰু সেয়া ৰাজ্যখনৰ আন স্থানীয় ভাষাসমূহলৈ অনুবাদৰ ব্যৱস্থা কৰা।

■ ১৯৭১ চনৰ পিছত অহা অবৈধ লোকসকলক চিনাক্তকৰণৰ ব্যৱস্থ ক্ষিপ্ৰতৰ কৰি তুলি সেইসকলক ওভতাই পঠিয়াবলৈ বাংলাদেশ চৰকাৰৰ সৈতে কেন্দ্ৰ চৰকাৰে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা।

■ ভাৰত-বাংলাদেশ সীমান্ত সম্পূৰ্ণৰূপে ছীল কৰা।

■ অসম ৰাজ্যিক জৈৱ বৈচিত্ৰ্য পৰিষদক শক্তিশালী কৰিবলৈ কেন্দ্ৰ আৰু ৰাজ্য উভয় চৰকাৰে আৰ্থিক সাহায্য আগবঢ়োৱা।

এনেদৰে প্ৰায় ৬০টাৰো অধিক মতামত আৰু পৰামৰ্শ আগবঢ়াই সেয়া যিমান পাৰি সিমান সোনকালে কাৰ্যকৰী কৰিবলৈ বিপ্লৱ শৰ্মা আয়োগে আহ্বান জনাইছে। এই পৰামৰ্শসমূহলৈ চালে দেখা যায় যে তেনে একাধিক সিদ্ধান্ত ইতিমধ্যে অসমৰ কেবাখনো চৰকাৰে গ্ৰহণ কৰিছে যদিও সেয়া সঠিকভাৱে কাৰ্যকৰী নোহোৱাৰ পৰিপ্ৰেক্ষিতত অসমীয়া জাতিৰ ভৱিষ্যত আজি সংকটাপন্ন হৈ পৰিছে। তাৎপৰ্যপূৰ্ণ কথা এয়ে যে এই প্ৰতিবেদনখনৰ পৰামৰ্শসমূহ কাৰ্যকৰী কৰিবলৈ হ'লে চৰকাৰক সদিচ্ছাৰ লগতে বৃহৎ পৰিমাণৰ ধনৰো প্ৰয়োজন হ'ব। লগতে প্ৰয়োজন হ'ব কেন্দ্ৰৰ সহায়-সহযোগিতাৰ। চৰকাৰ তথা বিৰোধীৰ ৰাজনৈতিক স্বাৰ্থৰ কথালৈ বাদ দি প্ৰতিবেদনখন আৰম্ভণিৰ পৰা শেষলৈ পঢ়িলেও স্পষ্ট হৈ পৰে যে এয়া কাৰ্যকৰী কৰাৰ সদিচ্ছাতকৈয়ো ইয়াৰ জৰিয়তে আচলতে চৰকাৰেও ৰাজনৈতিক স্বাৰ্থ পূৰণতহে অধিক গুৰুত্ব প্ৰদান কৰিছে। কিয়নো ভাষিক আৰু ভূমিৰ অধিকাৰ সম্পৰ্কীয় পৰামৰ্শৰ বাদে ৰাজনৈতিক পৰামৰ্শকেইটা কাৰ্যকৰী কৰিবলৈ হ'লে কেন্দ্ৰ চৰকাৰৰ অনুমোদন অপৰিহাৰ্য। এনে পৰিপ্ৰেক্ষিতত চৰকাৰেও মূল কথাসমূহৰ ফালৰি কাটি কাৰ্যকৰী কৰাৰ বাবে প্ৰয়োজনীয় সদিচ্ছাৰ পৰিৱৰ্তে ৰাজ্যবাসীৰ সমুখত এই প্ৰতিবেদনখনক জাতি, মাটি, ভেটিৰ সুৰক্ষাৰ ক্ষেত্ৰত এক 'যাদুকৰী কাগজ' হিচাপে প্ৰতিষ্ঠা কৰিবলৈহে উঠিপৰি লগা পৰিলক্ষিত হৈছে।

# হস্তক্ষেপ কৰক! অসহায় মুখ্যমন্ত্ৰীয়ে ক'লে কেন্দ্ৰক

**ই-সংবাদ, মাজুলী, ২৭ ছেপ্টেম্বৰঃ** দশকৰ পাছত দশক ধৰি এখন দলং নিৰ্মাণৰ দাবীত সংগ্ৰাম কৰিছিল নদীদ্বীপ মাজুলীৰ মানুহে। সেই দাবী আছিল জীৱন-সম্পত্তিৰ সৈতে জড়িত। বহিঃজগতৰ সৈতে নদী পথেৰে সংযোগ কৰা মাজুলীবাসীৰ বিলাই-বিপত্তিৰ সীমা নাছিল। নৱিয়াত পৰা লোকে ৭-৮ কিলোমিটাৰ নদীপথেৰে যোৱাহাটলৈ আহিবলগীয়া হয়। বহু সময়ত ৰোগীয়ে চিকিৎসা নোপোৱাকৈ মৃত্যুক আকোৱালি লয়। খাদ্য-সামগ্ৰীৰ মূল্য অত্যাধিক ভৰিবলগীয়া হয়। সময় মতে, বহিঃজগতৰ সৈতে যোগাযোগ কৰিব নোৱাৰে। ইপিনে বছৰৰ ছয়মাহ পানীত ডুবি থকা মাজুলীবাসীয়ে বহিঃজগৰ সৈতে যোগাযোগ কৰিব নোৱৰা হৈ পৰে। খাদ্য-বস্ত্ৰৰ নাটনীত পৰি হাহাকাৰ কৰিবলগীয়া হয়। যাৰ বাবে মাজুলীবাসীয়ে এখন দলং বিচাৰিছিল। মাজুলীৰ দাবী পূৰণ কৰাৰ প্ৰতিশ্ৰুতি দিছিল বিজেপি দলে। যাৰ বাবে ২০১৬ চনৰ নিৰ্বাচনত মাজুলী সমষ্টিৰ পৰা বিপুল ভোট জয়ী কৰিছিল সৰ্বানন্দ সোণোৱালাক। ২০১৬ চনতে আধাৰশিলা স্থাপনৰ কৰা হ'ল। সোণোৱাল মুখ্যমন্ত্ৰী হ'ল যদিও মাজুলীত দলং নিৰ্মাণৰ প্ৰতিশ্ৰুতি পূৰণ কৰিব নোৱাৰিলে। আধাৰশিলা খহি পৰিল। ২০২১ চনত বিধানসভাৰ নিৰ্বাচনত পুনৰ একেটা প্ৰতিশ্ৰুতিকে প্ৰদান কৰে বিজেপিয়ে। এইবাৰ দলঙৰ প্ৰাককলন প্ৰস্তুত কৰা হ'ল। ৬৫০ কোটি টকা আৱণ্ট দি ঠিকা দিয়া হ'ল উত্তৰ প্ৰদেশ ষ্টেট ব্ৰিজ কৰ্পোৰেচন লিমিটেডক। ২০২১ চনৰ আগষ্টৰ কাম আৰম্ভ হ'ল আৰু ২০২৫ চনৰ ডিচেম্বৰত নিৰ্মাণ সমাপ্ত কৰাৰ সময়সীমা নিৰ্ধাৰণ কৰা হয়। ৮.২৫ কিলোমিটাৰ দৈৰ্ঘৰ দলংখনৰ নিৰ্মাণ কাৰ্য ২১ দিনে বন্ধ হৈ আছে। দলঙৰ নিৰ্মাণৰ কাম আৰম্ভ হোৱাত মাজুলীবাসীয়ে স্বস্তিৰ নিশ্বাস লৈছিল। ভাবিছিল ২০২৫ চনৰ পৰা আধা ঘণ্টাৰ ভিতৰতে যোগযোগ কৰিব পাৰিব বুলি ভাবিছিল। কিন্তু চৰকাৰে মাজুলীবাসীৰ আশাত বেত্ৰঘাত কৰিলে। অত্যন্ত লেহেমীয়া গতিত আগবাঢ়িল নিৰ্মাণৰ কাম। মুখ্য খুঁটাকেইটা আজিলৈকে নিৰ্মাণ কৰা নহ'ল। ব্যাপক খাম-খেয়ালি দেখা গ'ল। শেহতীয়াকৈ যোৰহাট-মাজুলী সংযোগী দলঙৰ নিৰ্মাণকাৰ্য বন্ধ হৈ আছে। যাক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সত্ৰাধিকাৰসকলে তীব্ৰ ক্ষোভ ব্যক্ত কৰিছে। নিৰ্মাণকাৰী সংস্থাৰ সংঘাতৰ বাবে মাজুলীবাসীৰ বিপদ হ'ব নোৱাৰে বুলি কয়। তাৰ মাজতে আজি মুখ্যমন্ত্ৰীয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে ৫ ছেপ্টেম্বৰৰ পৰা নিৰ্মাণ স্থগিত মাজুলী-যোৰহাট দলঙৰ নিৰ্মাণ পুনৰ আৰম্ভ কৰাৰ বাবে ব্যৱস্থা ল'বলৈ কেন্দ্ৰীয় পথ-পৰিবহন মন্ত্ৰী নীতিন গাডকাৰীক আহ্বান জনাইছে। কেন্দ্ৰীয় মন্ত্ৰীলৈ লিখা পত্ৰখনত মুখ্যমন্ত্ৰী শৰ্মাই মাজুলীৰ সৈতে সংযোগ আৰু অৰ্থনৈতিক উন্নয়নৰ বাবে দলংখনৰ গুৰুত্ব থকা বুলি কয়। মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে বৰ্তমানৰ খৰালি পৰিছে যদি নিৰ্মাণত অধিক বিলম্ব হয় তেন্তে প্ৰকল্পৰ সময়সীমা আৰু ব্যয়ত প্ৰভাৱ পেলাব পাৰে। প্ৰকল্পটো পুনৰ নিবিদা কৰাৰ সম্ভাৱনা নিশ্চিত কৰিবলৈ তাৎক্ষণিক হস্তক্ষেপৰ বাবে অনুৰোধ জনায়। হিমন্ত বিশ্ব শৰ্মাই পত্ৰখন যোগে কয় যে ৫ ছেপ্টেম্বৰৰ পৰা দলংখনৰ নিৰ্মাণকাৰ্য স্থগিত হৈ আছে। এয়া চিন্তাৰ কাৰণ। খৰালি আৰম্ভ হোৱাত সময়ত পলম হ'লে সময়ৰ যথেষ্ট ক্ষতি হ'ব পাৰে। যথেষ্ট ব্যয় আৰু সময় অধিক হ'ব পাৰে। ইউ.পি ষ্টেট ব্ৰীজ কৰ্পোৰেচনে মাজুলী ত্যাগ কৰাত কাম বন্ধ হৈছে। এয়া অত্যন্ত দুৰ্ভাগ্যজনক। অধিক বিলম্বৰ ফলত গুৰুত্বপূৰ্ণ আন্তঃগাঁথনি প্ৰকল্প সময়মতে সম্পূৰ্ণ নহ'লে বিপদ হ'ব। মাজুলী আৰু সমগ্ৰ অঞ্চলটোৰ সংযোগ আৰু অৰ্থনৈতিক উন্নয়নৰ বাবে আৱশ্যকীয়। মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ হস্তক্ষেপৰ অনুৰোধ কৰি প্ৰয়োজন হ'লে আৰু অধিক পলম নকৰাকৈ প্ৰকল্পটোৰ পুনৰ নিবিদা দিয়াৰ প্ৰক্ৰিয়া আৰম্ভ কৰাৰ আৱেদন জনায়। জানিব পৰা মতে, দলংখনৰ ঠিকা লাভ কৰা উত্তৰপ্ৰদেশৰ ষ্টেট ব্ৰীজ কৰ্পোৰেচনৰ পৰা উপ-ঠিকা লাভ কৰা দুলীয়াজানৰ বদ্ৰী ৰায় এণ্ড কোম্পানীৰ মাজত হোৱা সংঘাত লাগিছিল। এই সংঘাতৰ ফলতেই এতিয়া ৰহস্যজনকভাৱে দলঙৰ কাম বন্ধ হৈ পৰিছে।

# জম্মু-কাশ্মীৰৰ নিৰ্বাচনৰ পাছতেই পাক-অধিকৃত কাশ্মীৰ দখল কৰিব ভাৰতে

## জম্মুত নিৰ্বাচনী সভাত যোগী আদিত্যনাথৰ দাবী

**শ্ৰীনগৰ, ২৭ ছেপ্টেম্বৰঃ** জম্মু-কাশ্মীৰ বিধানসভা নিৰ্বাচনৰ পাছতেই পাকিস্তান অধিকৃত কাশ্মীৰ দখলৰ কাম আৰম্ভ কৰিব ভাৰতে। শুকুৰবাৰে এই দাবী উত্থাপন কৰিছে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে। মুখ্যমন্ত্ৰীগৰাকীয়ে জম্মুত বিজেপিৰ নিৰ্বাচনী বৈঠকত অংশ লৈ কয় যে পাক অধিকৃত কাশ্মীৰ আচলতে জম্মু-কাশ্মীৰৰ এটা অংশ। এই বিধানসভা নিৰ্বাচনৰ পিছত পাকিস্তান অধিকৃত কাশ্মীৰক পুনৰ জম্মু-কাশ্মীৰৰ অংশ হিচাপে গঢ়ি তোলা হ'ব। প্ৰণিধানযোগ্য যে, ইয়াৰ পূৰ্বে লোকসভা নিৰ্বাচনৰ পূৰ্বে একেই দাবী উত্থাপন কৰিছিল অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইও। লোকসভা নিৰ্বাচনত বিজেপিয়ে ৪০০ খন আসন দখল কৰিবলৈ সক্ষম হ'লে নৰেন্দ্ৰ মোদীৰ নেতৃত্বত পাক অধিকৃত কাশ্মীৰ পুনৰ ভাৰতৰ সৈতে সংযুক্ত কৰা হ'ব বুলি মন্তব্য কৰিছিল শৰ্মাই। লোকসভা নিৰ্বাচনৰ প্ৰচাৰৰ সময়ত অসমৰ মুখ্যমন্ত্ৰীগৰাকীয়ে কৈছিল, "পাকিস্তান এতিয়া ভিক্ষাৰী হৈ পৰিছে। নিজকে চম্ভালিব পৰা নাই, দখল কৰা কাশ্মীৰ কেনেকৈ চম্ভালিব? পাকিস্তানে দখল কৰা কাশ্মীৰৰ বাসিন্দাসকলেই এতিয়া পাকিস্তানৰ পৰা মুক্তিৰ বাবে আন্দোলন কৰিছে।" প্ৰসংগক্ৰমে যোৱা মে' মাহৰ আৰম্ভণিৰ পৰাই পাক অধিকৃত কাশ্মীৰৰ ৰাজধানী মুজাফ্ফৰাবাদৰ লগতে সমহনী, ছেহানছা, মিৰপুৰ, ৰাৱালকোট, হাটিয়ান বালা, খুইৰাটা, টাট্টাপানী আদি অঞ্চলত ইছলামাবাদ বিৰোধী প্ৰতিবাদ আৰম্ভ হৈছে। অধিক ৰাজহ, মূল্যবৃদ্ধি আৰু বিদ্যুৎ সংকটৰ সন্মুখীন হৈ অধিকৃত কাশ্মীৰৰ বাসিন্দাসকলে আৰম্ভ কৰিছে বিক্ষোভ। সূত্ৰৰ দাবী অনুসৰি সেই অঞ্চলত উৎপাদিত বিদ্যুৎ পাকিস্তানৰ অন্যান্য চহৰলৈ যোগান ধৰা হৈছে। ইয়াক লৈ ক্ষুব্ধ হৈ পৰা পি অ' কেৰ নিৱাসীসকলে সাব্যস্ত কৰিছে প্ৰতিবাদ। মুকলিকৈ পাকিস্তান বিৰোধী শ্লোগান উত্থাপন কৰিছে। ইতিমধ্যে পাকিস্তানী আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ গুলীত বহু প্ৰতিবাদকাৰী আহত হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## স্কুলৰ উন্নতিৰ বাবে উত্তৰ প্ৰদেশত

চাঞ্চল্যকৰ ঘটনা সংঘটিত হৈছে উত্তৰ প্ৰদেশৰ হাথৰছত। ঘটনা পোহৰলৈ অহাৰ পিছতে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে বিদ্যালয়খনৰ স্বত্বাধিকাৰ, পৰিচালক পুত্ৰ আৰু অধ্যক্ষসহ ৫ জনক। নিহত ছাত্ৰজনৰ পৰিচয় ডি এল পাব্লিক স্কুলৰ দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ কৃতাৰ্থ বুলি আৰক্ষীয়ে জানিবলৈ দিছে। আৰক্ষীৰ মতে, এখন ব্যক্তিগত বিদ্যালয়ৰ স্বত্বাধিকাৰ যোশোধন সিঙে নিজে তন্ত্ৰ-মন্ত্ৰৰ সাধনা কৰিছিল। বিদ্যালয়খনৰ দুৰ্বল প্ৰদৰ্শনৰ বাবে বিচলিত হৈ পৰা যোশধন সিঙে সেয়ে পৰিয়াল আৰু বিদ্যালয়খনৰ সমৃদ্ধিৰ বাবে এটা শিশুক বলি দিয়াৰ পৰামৰ্শ দিছিল পুত্ৰ তথা বিদ্যালয়খনৰ পৰিচালক দীনেশ বাঘেলক। ইয়াৰ পিছতে যোৱা ২৩ ছেপ্টেম্বৰত পিতৃ-পুত্ৰৰ যুটিটোৱে আন তিনিজন কৰ্মচাৰীৰ সৈতে বিদ্যালয়ৰ হোষ্টেলৰ পৰা অপহৰণ কৰি এক নিৰ্জন স্থানলৈ লৈ যায় কৃতাৰ্থক। তাতেই নৰবলিৰ প্ৰস্তুতি আৰম্ভ কৰে অভিযুক্ত কেইজনে। কিন্তু সেই সময়তে শিশুটিয়ে টোপনিৰ পৰা সাৰ পাই কান্দিবলৈ ধৰাত মুখ বন্ধ কৰিবলৈ শিশুটিৰ ডিঙি চেপি হত্যা কৰে পাষাণ কেইজনে। আৰক্ষীৰ মতে, অভিযুক্ত কেইজনে শিশুটি হঠাৎ অসুস্থ হৈ পৰাৰ বাবে হাস্পতাললৈ নিয়া হৈছে বুলি প্ৰথমে পিতৃ-মাতৃক অৱগত কৰিছিল, কিন্তু পৰৱৰ্তী সময়ত শিশুটিৰ পিতৃ-মাতৃয়ে প্ৰকৃত ঘটনাৰ বিষয়ে জানিব পাৰি আৰক্ষীক খবৰ দিয়ে। এই গোচৰত উত্তৰ প্ৰদেশ আৰক্ষীয়ে ইতিমধ্যে বিদ্যালয়ৰ স্বত্বাধিকাৰ যশোধন সিং, পৰিচালক দীনেশ বাঘেল, অধ্যক্ষ লক্ষ্মণ সিং আৰু আন দুজন শিক্ষক ৰামপ্ৰকাশ সোলংকী আৰু বীৰপাল সিঙক ধৰি পাঁচজন লোকক গ্ৰেপ্তাৰ কৰিছে। ভাৰতীয় ন্যায় সংহিতাৰ ১০৩ (১) ধাৰাত আটাইকেইজন অভিযুক্তৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছে আৰক্ষীয়ে। প্ৰণিধানযোগ্য যে, ইয়াৰ পূৰ্বে উত্তৰ প্ৰদেশৰে মুজাফ্ফৰনগৰত সংঘটিত হৈছিল অনুৰূপ ঘটনা। এই বছৰৰে মে' মাহত অন্ধবিশ্বাসৰ বলি হৈ দুটিকৈ শিশুৰ বলি দিয়াৰ অপৰাধত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল এহাল মাতৃ-কন্যাক। উল্লেখ্য যে উত্তৰ ভাৰতত বিগত সময়ছোৱাত এনেধৰণৰ একাধিক অন্ধবিশ্বাসজনিত অপৰাধ সংঘটিত হৈ আহিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## ৰাহুল গান্ধীক আন এক দায়িত্ব

দায়িত্ব লাভ কৰিছে কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীয়ে। এইবাৰ ৰাহুল গান্ধী নিৰ্বাচিত হৈছে সংসদৰ প্ৰতিৰক্ষা বিষয়ৰ স্থায়ী সমিতিৰ সদস্য হিচাপে। ইফালে কৃষক আন্দোলন আৰু কৃষি আইনক লৈ বিতৰ্কিত মন্তব্য কৰি দলীয় নেতৃত্বৰ পৰা সকিয়নী লাভ কৰাৰ পিছতো সংসদৰ অতিৰিক্ত দায়িত্ব প্ৰদান কৰা হৈছে অভিনেত্ৰী তথা সাংসদ কংগনা ৰাণাৱটকো। মাণ্ডী লোকসভা সমষ্টিৰ সাংসদগৰাকীক সংসদৰ তথ্য প্ৰযুক্তিৰ স্থায়ী সমিতিৰ সদস্য হিচাপে নিযুক্তি দিয়া হৈছে। শুকুৰবাৰে ৰাজ্যসভা সচিবালয়ে এক বিবৃতিযোগে এই সমিতিসমূহৰ গঠন আৰু সদস্যসকলৰ নাম ঘোষণা কৰে। লোকসভাত বিৰোধী দলৰ নেতাক দিয়া হৈছে গুৰুত্বপূৰ্ণ পদ। অৱশ্যে ইয়াৰ পূৰ্বেও সাংসদ হৈ থকাৰ সময়ত প্ৰতিৰক্ষা সমিতিৰ সদস্য আছিল ৰাহুল গান্ধী। এই সমিতিৰ মুৰব্বী হিচাপে বিজেপি সাংসদ ৰাধামোহন সিঙক নিযুক্তি দিয়া হৈছে। ইফালে কংগনা ৰাণাৱটৰ লগতে সংসদৰ তথ্য প্ৰযুক্তিৰ স্থায়ী সমিতিত আছে সমাজবাদী পাৰ্টিৰ অভিনেত্ৰী সাংসদ জয়া বচ্চন। তৃণমূল কংগ্ৰেছৰ মহুৱা মৈত্ৰও এই একেখন সমিতিৰ সদস্য। কংগ্ৰেছৰ সাংসদ শশী থাৰুৰক সংসদৰ বৈদেশিক পৰিক্ৰমা সমিতিৰ মুৰব্বী হিচাপে নিযুক্তি দিয়া হৈছে। দিগ্বিজয় সিঙে শিক্ষা, মহিলা আৰু শিশু কল্যাণ, যুৱ আৰু ক্ৰীড়া সমিতিৰ দায়িত্বত থাকিব। পঞ্জাৱৰ প্ৰাক্তন মুখ্যমন্ত্ৰী চৰণজিৎ সিং চান্নীক কৃষি, পশুপালন আৰু খাদ্য প্ৰক্ৰিয়াকৰণ সমিতিৰ দায়িত্ব দিয়া হৈছে। গ্ৰামীণ আৰু পঞ্চায়তীৰাজ সমিতিৰ নেতৃত্বত থাকিব কংগ্ৰেছৰ সাংসদ সপ্তগিৰি শংকৰ উলকাই। লক্ষণীয় যে, সাতবাৰৰ সাংসদ ছোনিয়া গান্ধীক এইবাৰ কোনো কমিটীত স্থান দিয়া নহ'ল। কিন্তু কংগ্ৰেছৰ লগতে শিৱসেনাৰ (উদ্ধৱ পন্থী) সাংসদ প্ৰিয়ংকা চতুৰ্বেদীক তথ্য আৰু প্ৰযুক্তিৰ স্থায়ী সমিতিত স্থান দিয়া হৈছে। ডি এম কেৰ তিৰুচি শিৱ আৰু কানিমোঝিক ক্ৰমে উদ্যোগ আৰু খাদ্য আৰু পানী বিতৰণ সমিতিৰ দায়িত্ব দিয়া হৈছে। ইয়াৰ বিপৰীতে গুৰুত্বপূৰ্ণ সমিতিসমূহ নিজৰ হাতত ৰাখিছে বিজেপিয়ে। বিজেপিয়ে নিজ দখললৈ নিয়া সমিতিসমূহৰ ভিতৰত আছে প্ৰতিৰক্ষা, বিত্ত, গৃহ, কয়লা, তীখা আৰু তথ্য প্ৰযুক্তিৰ দৰে সমিতি। গৃহ পৰিক্ৰমা সমিতিৰ মুৰব্বী হ'ব ৰাধামোহন দাস আগৰৱালে। ভ্ৰাতৃহাৰী মহাতবে বিত্ত সন্দৰ্ভত স্থায়ী সমিতিৰ নেতৃত্ব দিব। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী অনুৰাগ ঠাকুৰক কেবিনেটৰ পৰা বাদ দিয়া হৈছিল যদিও কয়লা মন্ত্ৰালয়ৰ স্থায়ী সমিতিৰ দায়িত্ব লাভ কৰিছে। ৰুডী ষ্টীল আৰু জলসম্পদ সমিতিৰ দায়িত্বত আছে ৰাজীৱ প্ৰতাপ। নিশিকান্ত ডুবেক দিয়া হৈছে আই টি কমিটিৰ দায়িত্ব। উল্লেখ্য যে বিৰোধী দলপতিৰ দায়িত্ব লাভ কৰাৰ পিছৰে পৰা লাহে লাহে শক্তিশালী হৈ গৈ আছে ৰাহুল গান্ধী।

## জিলা আয়ুক্তৰ কাৰ্যালয়ত

# মৰিগাঁৱৰ চুৰিকাঘাতৰ ঘটনাক লৈ চেপা উত্তেজনা

**মৰিগাঁও, ২৭ ছেপ্টেম্বৰ :** মৰিগাঁৱৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত সংলগ্ন হৈ থকা খাদ্য আৰু অসামৰিক যোগান বিভাগটোৰ সহকাৰী সঞ্চালক মতিনুৰ ৰহমানক বৃহস্পতিবাৰে বিয়লি নিজ কাৰ্যালয়ৰ কোঠাত চুৰিকাঘাত কৰা ঘটনাক কেন্দ্ৰ কৰি জিলা প্ৰশাসনৰ কাৰ্যালয় প্ৰাংগনত আজিও চেপা উত্তেজনা অব্যাহত আছে। জিলাখনৰ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ শীৰ্ষ বিষয়াগৰাকীয়ে তেওঁৰ ওচৰত চলোৱা দুৰ্বৃত্তৰ আক্ৰমণৰ ঘটনাটোত লাহৰীঘাট সমষ্টিৰ কংগ্ৰেছ দলৰ বিধায়ক ডাঃ আচিফ নাজাৰ জৰিত থকা বুলি উত্থাপন কৰা বিস্ফোৰক অভিযোগক কেন্দ্ৰ কৰি জিলাখনত তীব্ৰ ক্ৰিয়া প্ৰতিক্ৰিয়া আৰু ব্যাপক চৰ্চা অব্যাহত আছে। উল্লেখ্য যে, লাহৰীঘাটৰ কেইবাখনো সমবায় সমিতি বিশেষকৈ নগাবন্ধা সমবায় সমিতিত দুৰ্নীতি আৰু অনিয়মৰ বিৰুদ্ধে তেওঁ কাৰ্য্যব্যৱস্থা লোৱা বাবে মতিনুৰ ৰহমান বিধায়ক গৰাকীৰ চকুৰ কুটা দাতৰ হুল হৈ পৰিছিল আৰু যোৱা দুবছৰ ধৰি বিধায়ক গৰাকীয়ে তেওঁক মানসিক নিৰ্যাতন চলোৱা বুলি বিস্ফোৰক অভিযোগ তুলিছিল। আজি সহকাৰী সঞ্চালক ৰহমানে মৰিগাঁও সদৰ থানাত এক এজাহাৰ দাখিল কৰে। এজাহাৰত ডঃ আচিফ নাজাৰৰ ওপৰিও আন তিনিজনৰ নাম উল্লেখ কৰা হৈছে। তেওঁ লোক হৈছে কালি মৰিগাঁও আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা গ্ৰেপ্তাৰ কৰা খাইৰুল ইছলাম আৰু আন দুজন হৈছে দিলদাৰ হুছেইন আৰু আব্দুল মতিন। মৰিগাঁও থানাৰ আৰক্ষীয়ে এজাহাৰৰ ভিত্তিত ভাৰতীয় ন্যায় সংহিতাৰ ৬১(২) ৩/১২৬(২)/১২৭(২)/ ২২৪/১৩২/১২১(২)/১১৮(২)/৩৫১(২) (৩) ধাৰাৰ অধীনত ২৫৬/২০২৪ নম্বৰত গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে। এজাহাৰত উল্লেখ কৰা হৈছে যে কালি সহকাৰী সঞ্চালক জনে কাৰ্যালয়ত কৰ্ম কৰি থকা সময়তে খাইৰুল ইছলাম আৰু দিলদাৰ হুছেইন কাৰ্যালয়ৰ কোঠাত প্ৰৱেশ কৰি তেওঁক আক্ৰমণ কৰে। ইফালে এই ঘটনাৰ আৰত সহকাৰী সঞ্চালক জনৰ কু-অভিসন্ধি থকা বুলিও অভিযোগ উঠিছে।

# হাছিনা চৰকাৰৰ বিৰুদ্ধে পৰিকল্পিত আন্দোলন, মাহফুজ আছিল মাষ্টাৰমাইণ্ড

## আমেৰিকাত ক'লে মুখ্য উপদেষ্টা মহম্মদ ইউনুছে

**ই-সংবাদ, ২৭ ছেপ্টেম্বৰঃ** ক্ৰমাগতভাৱে বৃদ্ধি পোৱা চৰকাৰবিৰোধী উকমুকনি আৰু ৰাজপথলৈ ওলাই অহা ছাত্ৰসমাজৰ প্ৰচণ্ড বিক্ষোভে বাংলাদেশত ছন্দপতন ঘটাইছিল শেখ হাছিনাৰ চৰকাৰৰ। এই বিক্ষোভৰ পিছতে দেশ এৰি ভাৰতত আশ্ৰয় গ্ৰহণ কৰিবলগীয়া হয় প্ৰধানমন্ত্ৰী শেখ হাছিনাই। কিন্তু হাছিনা আৰু তেওঁৰ বিৰুদ্ধে ছাত্ৰসমাজে আৰম্ভ কৰা এই বিক্ষোভ আছিল জানো আকস্মিক? আমেৰিকা ভ্ৰমণৰ সময়ত বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুখ্য উপদেষ্টা তথা নোবেল বঁটা বিজয়ী অৰ্থনীতিবিদ মহম্মদ ইউনুছে প্ৰকাশ কৰা মতে, হাছিনাৰ বিৰুদ্ধে ৰাষ্ট্ৰখনত আৰম্ভ ঘটা আন্দোলন আছিল এক পৰিকল্পিত আৰু অনুশাসিত আন্দোলন। এই আন্দোলনৰ আঁৰৰ মূল ব্যক্তিজনৰ নামো ৰাজহুৱাকৈ প্ৰকাশ কৰে ইউনুছে। ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণ কৰিবলৈ আমেৰিকাত উপস্থিত হোৱা মহম্মদ ইউনুছে 'ক্লিণ্টন গ্ল'বেল ফাউণ্ডেশ্যন'ৰ আলোচনা সভাত অংশগ্ৰহণ কৰে। ইউনুছৰ সৈতে মঞ্চত উপস্থিত আছিল আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি বিল ক্লিণ্টন। এই অনুষ্ঠানতে বাংলাদেশৰ ছাত্ৰ-ছাত্ৰীসকলক ধন্যবাদ জনাই ইউনুছে কয়, "তেওঁলোকে নিজৰ ভাষণ ত্যাগ আৰু দৃঢ়তাৰে সমগ্ৰ দেশক কঁপাই দিছে।" আন্দোলনৰ পৰিকল্পনাৰ বিষয়ে কৈ নোবেল বিজয়ী অৰ্থনীতিবিদগৰাকীয়ে কয়, 'এই আন্দোলনটো এনেদৰে সংগঠিত কৰা হৈছিল যে কোনো এজন নেতাই বেছি মনোযোগ নাপায়। নতুবা কোনো এজন নেতাক গ্ৰেপ্তাৰ কৰিব নোৱাৰি।" একে সময়তে ইউনুছে কয়, "হঠাতে বাংলাদেশৰ ছাত্ৰ-ছাত্ৰীসকলে একত্ৰিত হৈ ক'লে, "বহুত হ'ল, আৰু সহ্য কৰা নহ'ব।" ইফালে সমগ্ৰ আন্দোলনৰ আঁৰত তেওঁৰ বিশেষ সহায়ক মাহফুজ আলমৰ অৱদানক স্বীকাৰ কৰে ইউনুছে। তেওঁৰ মতে, এই আন্দোলনৰ মাষ্টাৰমাইণ্ড হৈছে মাহফুজ। ইউনুছে মাহফুজৰ বিষয়টো উত্থাপন কৰি কয়, "তেওঁ সকলো কামৰ দায়িত্বত আছিল।" প্ৰণিধানযোগ্য যে, চৰকাৰৰ সংৰক্ষণ নীতিৰ বিৰুদ্ধে ছাত্ৰসমাজে সাব্যস্ত কৰা প্ৰবল বিক্ষোভৰ ওচৰত সেও মানি ৫ আগষ্টত প্ৰধানমন্ত্ৰীৰ পদৰ পৰা পদত্যাগ কৰি ভগ্নী ৰেহানাৰ সৈতে ভাৰতলৈ পলায়ন কৰিছিল শেখ হাছিনাই। বৰ্তমানো তেওঁ ভাৰততে আশ্ৰয় গ্ৰহণ কৰি আছে। আনহাতে, ইউনুছে বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুৰব্বী হিচাপে দায়িত্ব গ্ৰহণ কৰিছে।



ভুবনেশ্বৰত প্ৰাক্তন উপ-ৰাষ্ট্ৰপতি শ্ৰী এম ভেংকায়া নাইডুৰ সৈতে অসমৰ মুখ্যমন্ত্ৰী

# সঙ্গীত প্ৰতিযোগিতাত দুই শাখাত প্ৰথম পুৰস্কাৰ লাভ হোজাইৰ

**ই-সংবাদ, ২৭ ছেপ্টেম্বৰঃ** অসম চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ অন্তৰ্গত জ্যেষ্ঠ নাগৰিক কল্যাণ পৰিষদ, অসমৰ উদ্যোগত আৰু অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সহযোগত কালি গুৱাহাটীৰ শঙ্কৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত সাংস্কৃতিক সমাৰোহৰ অন্তৰ্ভুক্ত জ্যোতি- বিষ্ণু- ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ দুটা শাখাত হোজাই জিলাত দুটা প্ৰথম পুৰস্কাৰ লাভ কৰে । অসম চৰকাৰৰ দ্বাৰা ৰাজ্যিক ভিত্তিত আয়োজিত এই সংগীত সন্মিলনত বিষ্ণুৰাভা আৰু ভূপেন্দ্ৰ সংগীতত অসমৰ ভিতৰত প্ৰথম স্থান লাভ হোজাই জিলাৰ লংকাৰ জেষ্ঠ্য শিল্পী মাকুম সিংহই । নিশালৈকে চলা প্ৰতিযোগীতাৰ জ্যোতি সংগীতত প্ৰথম স্থান প্ৰদীপ কুমাৰ পাঠক, দ্বিতীয় স্থান -ইন্দিৰাম নাথ আৰু তৃতীয় স্থান লাভ কৰে লাৱন্য গগৈয়ে। বিষ্ণুৰাভা সংগীতত প্ৰথম স্থান লাভ কৰে হোজাই জিলাৰ লংকাৰ মাকুম সিং, দ্বিতীয় স্থান লাভ কৰে বাবুল চন্দ্ৰ ডেকা আৰু তৃতীয় স্থান লাভ কৰে লক্ষীকান্ত বড়োয়ে ঠিক তেনেদৰে ভূপেন্দ্ৰ সংগীতত সমগ্ৰ অসমৰ ভিতৰতে প্ৰথম স্থান লাভ কৰে মাকুম সিং,দ্বিতীয় স্থান লাভ কৰে আহমেদ লতিফুল কৰিম আৰু তৃতীয় তৃতীয় স্থান লাভ কৰে সুব্ৰতা শৰ্মাই। বিচাৰকৰ আছিল ড° ৰমেন চৌধুৰী,শান্তা উজীৰ, অলেখ চক্ৰৱৰ্তী।

## ডিব্ৰুগড়ত বিধায়ক অখিল গগৈৰ হুংকাৰ

# ২০২৬ত ৰাইজৰ দলৰ অবিহনে কোনো দলে চৰকাৰ গঠন কৰিব নোৱাৰে!

**ই-সংবাদ, ২৭ ছেপ্টেম্বৰঃ** উজনি অসমত তৎপৰতা আৰম্ভ কৰিছে ৰাইজৰ দলে। দলটোৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে হাস্পতালৰ পৰা সুস্থ হৈ ওলায়েই দলটোক শক্তিশালী কৰিবলৈ উজনি অসমত অভিযান আৰম্ভ কৰিছে। আজি বিধায়ক অখিল গগৈৰ উপস্থিতিত ডিব্ৰুগড়ত অনুষ্ঠিত হয় যোগদান কাৰ্যসূচী। বৰবৰুৱাৰ চ্যুকাফা ভৱনত অনুষ্ঠিত যোগদান কাৰ্যসূচীত ডিব্ৰুগড় জিলাৰ বিভিন্ন প্ৰান্তৰ বিজেপি, কংগ্ৰেছ আৰু অগপৰ দুই শতাধিক সদস্যই দলটোত যোগদান কৰে। নতুনকৈ দলটোলৈ অহা নেতাসকলক ৰাইজৰ দলে একোখনকৈ ফুলাম গামোচাৰে আদৰণি জনায়। সভাপতি অখিল গগৈয়ে দললৈ নতুন সদস্য অহাত স্ফূৰ্তি কৰি কয় যে ডিব্ৰুগড় জিলাৰ ৬টা বিধানসভা সমষ্টিৰ ৫টা সমষ্টিত শাসক দলৰ বিধায়ক আছে। এটা সমষ্টিত অসম গণ পৰিষদৰ বিধায়ক আছে। তাৰ পাছতো ডিব্ৰুগড়ত ৰাইজৰ দলত যোগদান কৰিবলৈ ৰাইজ আগবাঢ়ি আহিছে। ৰাইজৰ দলক শক্তিশালী কৰি অসমত আঞ্চলিক ৰাজনৈতিক দলসমূহক শক্তিশালী কৰিব লাগিব। গগৈয়ে জোৰ দি কয় যে ২০২৬ চনত ৰাইজৰ দলক বাদ দি কোনো দলে চৰকাৰ গঠন কৰিব নোৱাৰে।




**ডিব্ৰুগড়ত ন সতীৰ্থ সকলৰ সৈতে অখিল গগৈ**

# নগাঁৱত আৰক্ষীৰ জালত কুখ্যাত ড্ৰাগছ বেপাৰী ফাৰুক

**ই-সংবাদ, বেবেজীয়া, ২৭ ছেপ্টেম্বৰঃ** সমগ্ৰ ৰাজ্যৰ লগতে নগাঁও জিলাটো দীৰ্ঘদিন ধৰি নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীয়ে কঠোৰ স্থিতি অব্যাহত ৰাখিছে । তৎস্বত্বেও আৰক্ষীৰ দুৰ্বলতাৰ সুযোগ লৈ অসাধু চক্ৰই জিলাখনত অব্যাহত ৰাখিছে ড্ৰাগছৰ ৰমৰমীয়া বেহা । আনকি জিলাখনৰ একাংশ ভিতৰুৱা গ্ৰামাঞ্চল অসাধু চক্ৰটোয়ে সবল নেটৱৰ্ক গঠনেৰে একপ্ৰকাৰে ড্ৰাগছৰ ঘাটিলৈ পৰিণত কৰি পেলাইছে । ইয়াৰ মাজতে জিলাখনৰ উত্তৰ-পশ্চিম প্ৰান্তৰ দগাঁও আৰক্ষী পহৰা চকীৰ এলেকাধীন এৰাবাৰী বজাৰত বুজন পৰিমাণৰ ড্ৰাগছসহ এটা কুখ্যাত ড্ৰাগছ বেপাৰী আৰক্ষীৰ জালত পৰাৰ বাতৰি পোৱা গৈছে । আচলতে, এক নিশ্চিত তথ্যৰ ভিত্তিত দগাঁও আৰক্ষীয়ে অতৰ্কিতে এৰাবাৰী বজাৰত অভিযান চলাই ড্ৰাগছ বেপাৰীটোক কৰায়ত্ত কৰিবলৈ সক্ষম হয় । ধৃত ড্ৰাগছ বেপাৰীটো হৈছে জুৰীয়াৰ তেলীয়া পথাৰৰ ওমৰ ফাৰুক । আৰক্ষীয়ে বেপাৰীটোৰ পৰা দুটা চাবোনৰ বাকচত থকা মুঠ ১৯৮.০১ গ্ৰাম ড্ৰাগছ উদ্ধাৰ কৰে । ধৃত ওমৰ ফাৰুক ইয়াৰ পূৰ্বে তিনিবাৰ ড্ৰাগছ বেহাৰ লগত জড়িত থকাৰ অপৰাধত ৰঙাঘৰৰ আলহী হ'বলগীয়া হৈছিল বুলি জানিব পৰা গৈছে ।

# ঐতিহাসিক অসম চুক্তিক নাকচ কৰা হৈছেঃ অসম নাগৰিক মঞ্চ

**ই-সংবাদ, ২৭ ছেপ্টেম্বৰ, মোৰাঝাৰঃ** বিপ্লৱ শৰ্মা আয়োগৰ নাগৰিকত্ব সংক্ৰান্ত প্ৰকাশিত প্ৰতিবেদনত ঐতিহাসিক অসম চুক্তিক এক প্ৰকাৰ নাকচ কৰা হৈছে বুলি অসম নাগৰিক মঞ্চই আজি এক প্ৰেছ বিবৃত্তি যোগে অভিযোগ কৰি বিতৰ্কৰ সৃষ্টি কৰিছে । অসম নাগৰিক মঞ্চৰ সাধাৰণ সম্পাদক বিজয় চক্ৰৱৰ্তীয়ে এক প্ৰেছ বিবৃত্তিত কয় অসম চুক্তি মতে ১৯৭১ চনৰ ২৫ মাৰ্চৰ আগতে অৰ্থাৎ বাংলাদশৰ জন্মৰ আগতে যিসকল পূৱ পাকিস্তানৰ পৰা ভাৰতবৰ্ষত অথবা অসমলৈ আহিছে তেওঁলোক অসমীয়া তথা ভাৰতীয় নাগৰিক। অসম চুক্তিত নাগৰিকত্ব সম্পৰ্কে ১৯৫১ চনৰ কোনো ধৰণৰ উল্লেখ নাই, ১৯৬৫ আৰু ১৯৭১ চনৰহে উল্লেখ আছে। অসম চুক্তি মতে, ১৯৬৫ চনৰ পিছত ১৯৭১ চনৰ ২৫ মাৰ্চৰ আগতে পূব পাকিস্তানৰ পৰা অহা লোক সকলক চিনাক্ত কৰি মাত্ৰ ১০ বছৰৰ বাবে ভোটাধিকাৰৰ পৰা বঞ্চিত কৰি ৰখা হব কিন্তু তেওঁলোকে সংবিধান স্বীকৃত সকল সুবিধা উপভোগ কৰিব পাৰিব। ফলত ১৯৫১ চনক অসমীয়াৰ সংজ্ঞা নিৰূপণৰ ভিত্তিবৰ্ষ গণ্য কৰা অসম চুক্তিৰ পৰিপন্থী। বিপ্লৱ শৰ্মা আয়োগৰ প্ৰকাশিত প্ৰতিবেদনক আছুৱে সমৰ্থন কৰা মানে অসম চুক্তিক অপমান কৰা। অসম চুক্তিৰ প্ৰতি শাসক দল বিজেপিৰ যি ধৰণৰ শ্ৰদ্ধা নাই ঠিক তেনেদৰে অসম চুক্তিত স্বাক্ষৰ কৰা কংগ্ৰেছেও অসম চুক্তিক অপমান কৰিলে। যিহেতু অসম চুক্তিৰ ৫ নং দফাত অসমীয়া কোন সেই কথা স্পষ্ট কৰি দিয়া হৈছে। ফলত এই প্ৰতিবেদন মানি লোৱাটো বৃহত্তৰ অসমীয়া সমাজৰ প্ৰতি অসম চৰকাৰে বিশ্বাসঘাতকতা কৰিছে। প্ৰেছ বিবৃত্তিত আৰু কোৱা হয় যে, বিপ্লৱ শৰ্মা আয়োগৰ প্ৰকাশিত প্ৰতিবেদন ভাৰতৰ সংবিধানৰ পৰিপন্থী, কিয়নো ভাৰতৰ সংবিধানৰ মতে ভাৰতীয় সকলো নাগৰিক আইনৰ চকুত সমান। বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদনে অসমত দুই ধৰণৰ নাগৰিক সৃষ্টি কৰিছে যিটো অসমীয়া আৰু ভাৰতীয়। প্ৰতিবেদন মতে " অসমীয়া " সকলে অসমত সকলো ধৰণৰ চৰকাৰী আৰু সাংবিধানিক সুবিধাৰ এক মাত্ৰ অধিকাৰী আনপিনে ভাৰতীয় সকল দ্বিতীয় শ্ৰেণীৰ নাগৰিক আৰু সীমিত সুবিধাৰ অধিকাৰী। বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদনে অসম চুক্তিক এন আৰ চিক নাকচ কৰাৰ দৰে " কা " আইনকো হেয় প্ৰতিপন্ন কৰিছে। অসম বিজেপি আঞ্চলিকতাবাদ, উগ্ৰ অসমীয়া আৰু জাতীয়তাবাদত বিশ্বাসী ভাৰতীয় জাতীয়তাবাদত বিশ্বাসী নহয় বুলি নাগৰিক মঞ্চৰ সম্পাদক জনৰ অভিযোগ কৰে।


প্ৰগতিশীল নাৰী সন্থাৰ

# স্মাৰ্টৰ সলনি পুৰণি মিটাৰ পুনৰ বিচাৰি শক্তি মন্ত্ৰীলৈ স্মাৰকপত্ৰ

**ই-সংবাদ, বেবেজীয়া, ২৭ ছেপ্টেম্বৰঃ** ৰাজ্যৰ প্ৰান্তে প্ৰান্তে স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে অব্যাহত আছে বিভিন্ন দল-সংগঠনৰ ধাৰাবাহিক প্ৰতিবাদ । ইয়াৰ মাজতে শুকুৰবাৰে সদৌ অসম প্ৰগতিশীল নাৰী সন্থাৰ নগাঁও সদৰ সমিতিৰ ফালৰ পৰা অসমৰ ঘৰুৱা বিজুলী গ্ৰাহকৰ বাসগৃহত স্মাৰ্টমিটাৰ প্ৰতিস্থাপনৰ বিৰুদ্ধে আৰু ইতিমধ্যে যি সকল ঘৰুৱা গ্ৰাহকৰ ঘৰত স্মাৰ্ট মিটাৰ প্ৰতিস্থাপন কৰা হ'ল তেওঁলোকৰ ঘৰত পুৰণা মিটাৰ পুনৰ সংযোগৰ দাবীত নগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ৰ জৰিয়তে অসমৰ শক্তিমন্ত্ৰীলৈ এখনি স্মাৰক পত্ৰ প্ৰেৰণ কৰে । তদুপৰি মনোৱাৰা বেগম, হালিমা খাতুন, মাহমুদা খাতুন আৰু ৰেখা বৰদলৈক লৈ গঠিত নাৰী সংগঠনটোৰ সঁজাতি দলটোয়ে এই স্মাৰকপত্ৰৰ প্ৰতিলিপি অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ নগাঁও বৈদ্যুতিক সংমণ্ডল-১ ৰ সহকাৰী মহা প্ৰবন্ধককো প্ৰদান কৰে । প্ৰগতিশীল নাৰী সন্থাৰ নগাঁও সদৰ সমিতিৰ সভানেত্ৰী বিউটি দেৱী আৰু সম্পাদিকা লক্ষী ডেকাই এক প্ৰেছ বিবৃতিৰ জৰিয়তে এই বিষয়ে জানিবলৈ দি কয় যে--১৯৪৮ চনৰ বিদ্যুৎ আইনে দেশৰ অৰ্থনীতিৰ প্ৰগতিৰ স্বাৰ্থত বিদ্যুতকলৈ দেশৰ নাগৰিকৰ স্বাৰ্থত বেপাৰ কৰাৰ বিৰুদ্ধে আছিল । কিন্তু বৰ্তমানৰ বিজেপি চৰকাৰে দেশৰ বিদ্যুৎ খণ্ডক ব্যক্তিগত খণ্ডৰ বণিয়াৰ হাতত গতাই দিবলৈ বিদ্যুৎ আইন সংশোধনৰ লগতে সময়ে সময়ে গে'জেট ন'টিফিকেচনৰ জৰিয়তে গ্ৰাহক ৰাইজৰ ওপৰত মাছুল বৃদ্ধি তথা উৎপাদন, প্ৰেষণ আৰু বিতৰণৰ দায়িত্ব ব্যক্তিগত খণ্ডক দিবলৈ আগবাঢ়িছে । আমি দেখিছো যে কেন্দ্ৰীয় চৰকাৰে ২০২১ চনৰ ১৭ আগষ্টত FNo.23/35/2019/R&R যোগে জাৰি কৰা কেন্দ্ৰীয় গে'জেট ন'টিফিকেচনৰ জৰিয়তে ব্লক পৰ্যায়ৰ পৰা আৰম্ভ কৰি চৰকাৰৰ আটাইতকৈ উচ্চ পৰ্যায়লৈকে সকলো চৰকাৰী কাৰ্যালয়, বাণিজ্যিক প্ৰতিষ্ঠান তথা উদ্যোগিক ক্ষেত্ৰত প্ৰথমতে স্মাৰ্ট মিটাৰ প্ৰতিস্থাপন কৰাৰ কথা কোৱা হৈছে । কিন্তু অসমত হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে ইয়াৰ বিপৰীত স্থিতিত অৱস্থিতি লোৱাৰ অভিযোগ।

# ‘কা’ আন্দোলনত প্ৰেৰণ কৰিছিল কাৰাগাৰলৈ, এতিয়া শৃংখলক দিলে দেহৰক্ষী

## সসন্মানে অসম আৰক্ষীৰ দেহৰক্ষীক দিলে বিদায়




**ই-সংবাদ, শিৱসাগৰ, ২৭ ছেপ্টেম্বৰঃ** উজনি অসমৰ ৰাজনীতিত প্ৰভাৱ বিস্তাৰ কৰিবলৈ ধৰা বীৰ লাচিত সেনাৰ নেতা শৃংখল চলিহাক গুৰুত্ব দিবলৈ বাধ্য হৈছে হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰে। পূৰ্বে ৰাজ্য চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰাৰ সময়ত শৃংখল চলিহাক আক্ৰমণৰ লক্ষ্য কৰৈ লৈছিল বিজেপিৰ নেতা-কৰ্মীয়ে। শেহতীয়াকৈ মাৰোৱাৰী সম্প্ৰদায়ৰ বিৰুদ্ধে মন্তব্য দিয়াত গৌৰৱ চোমানি নামৰ বিজেপি নেতাই চলিহাৰ বিৰুদ্ধে দিছপুৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল। সমানে ‘কা’ আন্দোলনৰ সময়ত শৃংখল চলিহাক কাৰাগাৰলৈ প্ৰেৰণ কৰিছিল।কিন্তু এইগৰাকী চলিহাৰ জীৱনৰ নিৰাপত্তাক লৈ চিন্তিত হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰ। ৰাজ্য চৰকাৰে বীৰ লাচিত সেনাৰ বিতৰ্কিত নেতা শৃংখল চলিহাক দুজনকৈ অস্ত্ৰধাৰী দেহৰক্ষী প্ৰদান কৰিছিল। কিন্তু দেহৰক্ষী ল'বলৈ মান্তি নহ'ল শৃংখল চলিহা। এই কথা খোদ এটা ফেচবুক পোষ্টত উল্লেখ কৰিছে চলিহাই। ফেচবুকত দিয়া এটা পোষ্টত চলিহাই কয় যে মোক অসম আৰক্ষীৰ দেহৰক্ষীৰ প্ৰয়োজন নাই। দুয়োজনক মই স-সন্মানেৰে ঘৰলৈ যাবলৈ দিছো। বীৰ লাচিত সেনাৰ সৈন্যৰ সাহস আৰু ত্যাগে মোৰ নিৰাপত্তা। ধন্যবাদ। জয় আই অসম। শেহতীয়াকৈ উজনি অসমৰ পৰা মিঞা হটাও অভিযানত নেতৃত্ব দিছিল শৃংখল চলিহাই। সন্দেহজনক বিদেশীৰ বিৰুদ্ধে বিতৰ্কিত মন্তব্য প্ৰদান কৰি আহিছে। সমানে চলিহাই চৰকাৰৰ নিৰ্দেশত মন্তব্য তথা কাম কৰি থকা বুলি অভিযোগ উত্থাপন হৈ আহিছে। যাৰ ফলত ৰাজ্য চৰকাৰে চলিহাৰ জীৱনৰ নিৰাপত্তা নিশ্চিত কৰিবলৈ দুই দেহৰক্ষী প্ৰদান কৰিছিল। ২৬ ছেপ্টেম্বৰত চলিহাৰ ঘৰত উপস্থিত হয় দুই দেহৰক্ষী। চলিহাই পিছমুহূৰ্ততে সসন্মানে দেহৰক্ষীক বিদায় দি কয় যে মোক নিৰাপত্তাৰক্ষী প্ৰয়োজন নাই। বীৰ লাচিত সেনাৰ সৈনিকেই তেওঁৰ সাহস। জানিব পৰা মতে, আজি আকৌ দুজন দেহৰক্ষী দিছে চলিহাক। উলুবাৰিস্থিত অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ৰ বিশেষ শাখাৰ তৰফৰ পৰা পুনৰ দুগৰাকী দেহৰক্ষী প্ৰেৰণ কৰে। চলিহাই এখন সংবাদমেল কয় যে এই সম্পৰ্কত মই শীৰ্ষ বিষয়াৰে যোগাযোগ কৰাত বিষয়াগৰাকীয়ে মোৰ জীৱনলৈ মৌলবাদী গোটৰ ভাবুকি থকাৰ কথা জানিবলৈ দিয়ে। কোনো মৌলবাদী সংগঠনৰ নাম উল্লেখ নকৰাকৈ অসম আৰক্ষীয়ে তাৎক্ষণিকভাৱে গৃহ বিভাগৰ নিৰ্দেশনাৰ ভিত্তিত দেহৰক্ষী দুগৰাকী লগত ৰাখিবলৈ দিয়ে। মই কাৰো ভাবুকিকেই কেৰেপ নকৰো। মোৰ বুকু ভেদ কৰিবলগীয়া গুলীৰ বং অসমৰ পৰাই নাইকীয়া হৈ যাব। কোনো মৌলবাদী বাংলাদেশীয়ে মোক ভয় খুৱাব নোৱাৰে। আক্ৰমণ হ'লে ভয়ংকৰ প্ৰত্যাক্ৰমণৰ সৃষ্টি হ'ব। দেশ আৰু জাতিৰ বাবে প্ৰাণ দিবলৈও মই সাজু। খিলঞ্জীয়া থলগিৰি জনগণ আৰু বীৰ লাচিত সেনাৰ সৈনিকেই মোক সুৰক্ষা প্ৰদাণ কৰিব বুলিও তাৎপৰ্য্যপুৰ্ণ মন্তৰ্ব্য কৰে। অসম চৰকাৰে কিহৰ সন্দেহত দেহৰক্ষা প্ৰদান কৰিছে এতিয়ালৈকে সেই কথা উল্লেখ কৰা নাই।

# ঠেঙাল কছাৰী স্বায়ত্ব শাসিত পৰিষদৰ বিৰুদ্ধে জনতাৰ প্ৰতিবাদ

**ই-সংবাদ, ২৭ ছেপ্টেম্বৰঃ** ঠেঙাল কছাৰী জনগোষ্ঠীৰ হাজাৰ হাজাৰ ক্ষোভিত লোকে আজি ঠেঙাল কছাৰী স্বায়ত্ব শাসিত পৰিষদৰ বিৰুদ্ধে যোৰহাট জিলাৰ তিতাবৰত উগ্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। ঠেঙাল কছাৰী স্বায়ত্ব শাসিত পৰিষদে ঠেঙাল কছাৰী জনগোষ্ঠীৰ উন্নয়ন কৰিব নোৱাৰাৰ অভিযোগ উত্থাপন কৰি তিতাবৰত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। আজি পুৱাৰে পৰা লখিমপুৰ, ধেমাজি, ডিব্ৰুগড়, তিনিচুকীয়া, গোলাঘাট আৰু যোৰহাট জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা অহা কেবাহাজাৰ হাজাৰ ঠেঙাল কছাৰী লোকে তিতাবৰস্থিত ঠেঙাল কছাৰী স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যালয়ত উপস্থিত হয়। হাজাৰ হাজাৰ প্ৰতিবাদকাৰীয়ে কছাৰী স্বায়ত্ব শাসিত পৰিষদত সংঘটিত দুৰ্নীতি-ভ্ৰষ্টাচাৰ সংঘটিত হৈ থকা বুলি কয়। ঠেঙাল কছাৰী স্বায়ত্ব শাসিত পৰিষদে মৌলিক সমস্যাসমূহ সমাধান কৰাত ব্যৰ্থতা হোৱাৰ অভিযোগ আনি সদৌ অসম ঠেঙাল কছাৰী সংগঠন কয় যে ‘ঠেঙাল’ শব্দটো পুনৰ অন্তৰ্ভুক্ত কৰিবলৈ পৰিষদে পৰ্যাপ্ত গুৰুত্ব দিয়া নাই। লখিমপুৰত সংগঠনৰ মুখ্য কাৰ্যালয় নিৰ্মাণত ব্যৰ্থ হৈছে। পৰিষদৰ অধীনত আদৰ্শ গাঁও গঢ়াত ব্যৰ্থ, কৃষি কৰ্মৰ সৈতে জড়িত লোকসকলক পৰ্যাপ্ত পৰিমাণে সুবিধা দিয়াত ব্যৰ্থ হোৱাৰ অভিযোগ আনিছে ঠেঙাল কছাৰী সংগঠনে।



বিহপুৰীয়াত ৰাইজৰ মাজত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা

# অভিনেতা ৰমেশ চন্দ্ৰ ডেকাৰ মহাপ্ৰয়াণ

**ই-সংবাদ, ২৭ ছেপ্টেম্বৰ, বৰমাঃ** বাক্সা জিলাৰ এগৰাকী বিশিষ্ট ভ্ৰাম্যমাণ শিল্পী, অভিনেতা ৰমেশ চন্দ্ৰ ডেকাৰ দেহাৱসান । মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭০ বছৰ । জীৱনৰ প্ৰায় ৩৫টা বসন্ত ভ্ৰাম্যমাণ নাট্য দলৰ মঞ্চত অভিনয়েৰে খলকনিৰ সৃষ্টি কৰা ৰমেশ চন্দ্ৰ ডেকাই দীৰ্ঘদিন ধৰি শাৰীৰিক অসুস্থতাত ভুগি আছিল । যোৱা কিছুদিন ধৰি বৃক্কৰোগত আক্ৰান্ত হৈ গুৱাহাটীৰ এখন ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত ভৰ্তি আছিল ডেকা । বৃহস্পতিবাৰে নিজ বাসগৃহতে দেহাৱসান ঘটে অভিনেতা ৰমেশ চন্দ্ৰ ডেকাৰ। শিল্পীগৰাকীৰ মৃত্যুৰ বাতৰি পাই অসংখ্য গুণমুগ্ধই বাক্সা জিলাৰ বৰমাৰ কুমাৰপাৰাৰ বাসগৃহত ভিৰ কৰে ।

## কৰ্মচাৰী সন্থাৰ প্ৰতিবাদৰ নাটক, ১০ সংগঠনৰ প্ৰতিবাদ ঘোষণা

# অএনজিচি ধ্বংস যজ্ঞ আৰম্ভ! ড্ৰিলিং ৰীগ চমজি ল'লে পুঁজিপতিয়ে

**ই-সংবাদ, শিৱসাগৰ, ২৭ ছেপ্টেম্বৰঃ** উজনি অসমৰ মানুহৰ আৱেগ জড়িত তেল আৰু প্ৰাকৃতিক গেছ নিগম চমুকৈ অএনজিচিত পুনৰ সক্ৰিয় হৈছে অসম বিৰোধী চক্ৰ। অএনজিচিয়ে কাৰ্যালয়সমূহ পৰ্যায় ক্ৰমে শিৱসাগৰৰ পৰা স্থানান্তৰিত কৰাৰ লগতে এপদ এপদ কৈ সম্পদসমূহ ব্যক্তিগত খণ্ডক গটাই আহিছে। এইবাৰ নিগমৰ অন্যতম সক্ৰিয় এম-৪৯০০ নম্বৰৰ ৰীগটো অৱশেষত আনুষ্ঠানিকভাৱে আজি ৰীগ পৰিচালনাৰ দায়িত্ব চমজি ল'লে পুঁজিপতি বিদেশী প্ৰতিষ্ঠান চাউথ এছিয়া গ্ৰুপে। বিগত এটা পষেক ধৰি ধাৰাবাহিক ভাৱে অএনজিচিত সক্ৰিয় চাউথ এছিয়া নামৰ পুঁজিপতি গোষ্ঠীটোক ড্ৰিলিং ৰীগ এম-৪৯০০ গতাই দিয়াৰ খবৰ সংবাদ মাধ্যমত প্ৰকাশ পোৱাত মিছা মাতি আহিছিল নিগমে। কিন্তু আজি দুপৰীয়া চাউথ এছিয়া গ্ৰুপে আনুষ্ঠানিকভাৱে ৰীগটোৰ পৰিচালনাৰ দায়িত্ব চমজি লয়। লাকুৱা তৈল ক্ষেত্ৰৰ অন্তৰ্গত লাকুৱা চাহ বাগিচাত নিগমৰ কৰ্মচাৰীয়ে ৰীগটোত কৰ্মৰত হৈ থকাৰ সময়তেই চাউথ এছিয়া নামৰ ঠিকাদাৰী গোষ্ঠীটোৱে পৰিচালনাৰ দায়িত্ব লোৱাত শিৱসাগৰ জিলাৰ দল-সংগঠন তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। গৰজি উঠিছে সংগ্ৰামী সেনাকে ধৰি জিলাখনৰ প্ৰায় ১০ টাকৈ সংগঠন। দল-সংগঠনসমূহে প্ৰতিবাদমুখৰ হৈ থকাৰ সময়তেই নিগমক সম্পূৰ্ণৰূপে ব্যক্তিগতকৰণ কৰাৰ লক্ষ্যৰে সক্ৰিয় ড্ৰিলিং ৰীগ পুঁজিপতি গোষ্ঠী। সংগ্ৰামী সেনা অসমৰ সভাপতি পংকজ খাউণ্ডে কয় যে এতিয়া আৰু হাত সাৱতি বহি থকাৰ সময়



নহয়। চকুৰ সন্মুখত নিগমক সম্পূৰ্ণৰূপে অসম বিৰোধী চক্ৰই ষড়যন্ত্ৰমূলক ভাৱে ব্যক্তিগত কৰণৰ উদ্দেশ্যে সক্ৰিয় ড্ৰিলিং ৰীগ ব্যক্তিগত ঠিকাদাৰৰ হাতত তুলি দিছে। এই কাৰ্যৰ বিৰুদ্ধে কাইলৈ পুঁৱাৰে পৰা আন্দোলনৰ কৰা হ'ব। কাইলৈ পুঁৱা দলমুখ চাৰিআলিত অৱস্থান ধৰ্মঘট, পৰহিলৈ পেট্ৰলিয়াম মন্ত্ৰী আৰু অএনজিচিৰ কাৰ্যবাহী সঞ্চালকৰ প্ৰতিমূৰ্তি দাহ কৰা হ'ব। অসম আৰু অসমীয়াৰ স্বাৰ্থ আৰু আৱেগ জড়িত অএনজিচি-এ এম -৪৯০০ নম্বৰৰ ৰীগটোৰ ব্যক্তিগত গোষ্ঠীলৈ হস্তান্তৰ প্ৰক্ৰিয়া বাতিল নকৰে তেন্তে অএনজিচিত অনিৰ্দিষ্টকালীন বন্ধৰ বিকল্প নাথাকিব বুলি সঁকিয়াই দিয়ে পংকজ খাউণ্ডে। ইফালে নিগমৰ কৰ্মচাৰী সন্থাক খিৰতী গাইৰ দৰে ব্যৱহাৰ কৰি দীৰ্ঘ সময় অএনজিচিৰ অসম বিৰোধী চক্ৰৰে সৈতে হাত মিলাই নিগমৰ ইটোৰ পিছত সিটো ৰীগ ব্যক্তিগত গোষ্ঠীক কমিচনৰ ভিত্তিত গতাই অহা বহু বিতৰ্কীত নেতাগৰাকীয়ে আজি অৱশ্যে লাকুৱা চাহ বাগিচাৰ এম-৪৯০০ উপস্থিত হৈভগা বিয়াত উৰুলি দিয়াৰ এক নাটক ৰচনা কৰে। ৰীগৰ নিবিদা, আনুষ্ঠানিকতা ইত্যাদি বিষয়সমূহৰ ক্ষেত্ৰত সুদীৰ্ঘ সময় মৌনতা অৱলম্বন কৰা বিতৰ্কিত নেতাগৰাকীয়ে আজি একাংশ সাংগো-পাংগোক লগত লৈ বিৰোধীতাৰ নামত নাটক ৰচনা কৰে। শিৱসাগৰ মঠাদাঙৰ পৰা কেইদিনমানৰ পূৰ্বে লাকুৱালৈ চিফ্‌টিং হোৱা ৰিগটো নিগমৰ স্থায়ী কৰ্মচাৰীসকলে বিগত এটা সপ্তাহে দিনে নিশাই শ্ৰম কৰি ড্ৰিলিঙৰ বাবে সাজু কৰিছিল। কিন্তু নিবিদাৰ চৰ্ত ৱৰ্ক অৰ্ডাৰত লিপিবদ্ধ নিৰ্দেশনা অনুসৰিয়েই চাউথ এছিয়াৰ স্বীকৃৰ্তি প্ৰাপ্ত ভুৱা নথিৰে সাক্ষাতকাৰত অৱতীৰ্ণ কৰ্মচাৰীসকলে নিগমৰ কৰ্মচাৰীৰ পৰা ৰীগটোৰ দায়িত্ব চমজি লয়। নাটকৰ দৃশ্য অনুসৰিয়েই ইমান দিনে মৌন থাকি আজিহে নিদ্ৰা ভংগ হোৱা নিগমৰ কৰ্মচাৰী সন্থাৰ বহু বিতৰ্কিত নেতাগৰাকীৰ লগতে এটা বেচৰকাৰী শ্ৰমিক সন্থাৰ আন এটা কুখ্যাত দালালৰ সৈতে মিলি ৰীগৰ চৌহদত উপস্থিত হৈ লম্ফ জম্ফৰে চাউথ এছিয়া গ্ৰুপৰ কৰ্মচাৰীক ৰীগৰ দায়িত্ব লোৱাৰ ক্ষেত্ৰত বাধা প্ৰদাণ কৰে। শ শ বিভিন্ন শ্ৰেণীৰ পদ অসম সম্পদত খালি থকাৰ লগতে বিগত তিনিটা বছৰ নিৰৱচ্ছিন্ন ভাৱে উৎপাদনৰ লক্ষ্য স্পৰ্শ কৰি অহাৰ পিছতো ব্যয় সংকোচনৰ দোহাই দি এনেদৰে কাৰ্যালয় স্থানান্তৰ, ৰীগ ব্যক্তিগত প্ৰতিষ্ঠানক গতাই দিয়াৰ ষড়যন্ত্ৰ অব্যাহত ৰাখিছে। নিগমৰ কৰ্মচাৰী সন্থাৰ চকীখনত বছৰ বছৰ ধৰি বহি ক্ষমতা ভোগ কৰা কৰ্মচাৰী সন্থাই নেতৃত্ব কিন্তু নিমাত। জনৈক তদানীন্তন বিষয়া শশীকান্তৰ সৈতে মিলি নিগম ধ্বংসৰ ষড়যন্ত্ৰ ভিতৰৰ পৰাই কৰাৰ কথা পোহৰলৈ আহিব ধৰিছে।

## দুৰ্বল হৈছে নেকি সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠিক ভেটি?

# গুৱাহাটী বিশ্ববিদ্যালয়ত বিজেপি অগপৰ ছাত্ৰ সংগঠনৰ অপ্ৰতিৰোধ্য যাত্ৰা



**ই-সংবাদ, ২৭ ছেপ্টেম্বৰঃ** ক্ৰমে সংকুচিত হৈ আহিছে নেকি সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠিক ভেটি? জাতীয় অস্তিত্বৰ হকে যুঁজি দিয়া সদৌ অসম ছাত্ৰ সন্থা খোদ সাংগঠনিক অস্তিত্বৰ সংকটত পৰিছে নেকি? এই কথা কিয় চৰ্চা হ'বলৈ ধৰিছে। অসমৰ বিশ্ববিদ্যালয়, মহাবিদ্যালয়সমূহত একালত দপদপনি চলিছিল সদৌ অসম ছাত্ৰ সন্থাৰ। সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বতে পৰিচালিত হৈছিল অসমৰ প্ৰায়সমূহ গৰিমাণ্ডিত উচ্চ শিক্ষানুষ্ঠান। কিন্তু আজি যেন সেই পৰিৱেশ নাই। দুই এখন বিশ্ববিদ্যালয়তহে আছুৰ সাংগঠনিক স্থিতি সবল। প্ৰায়সমূহ উচ্চ শিক্ষানুষ্ঠানতে আছুৱে পূৰ্বৰ দৰে দপদপনি বৰ্তাই ৰাখিবলৈ সক্ষম হোৱা নাই। তাৰ উদাহৰণ হৈছে এইবেলি অনুষ্ঠিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ সাধাৰণ নিৰ্বাচনৰ ফলাফল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ একত সভাৰ সভাপতি আৰু সাধাৰণ সম্পাদক পদত জয় লাভ কৰিব নোৱাৰিলে আছুৱে। আছুৰ বিপৰীতে বিজেপিৰ ভাতৃ ছাত্ৰ সংগঠন অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদে সভাপতি পদয় জয়ী হয়। সভাপতি পদত জয়ী হৈছে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ সমৰ্থিত মানস প্ৰতিম কলিতাই। কামৰূপ জিলাৰ ৰঙিয়াৰ মানস প্ৰতিম কলিতা গুৱাহাটী বিশ্ববিদ্যালয় গণসংযোগ আৰু সাংবাদিকতা বিভাগৰ ছাত্ৰ। অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ সমৰ্থিত প্ৰাৰ্থী সাহিত্য সম্পাদক পদত প্ৰাণজিৎ কোঁচ, ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক পদত বিনোদ বড়ো জয়ী হৈছে। আনহাতে, সাধাৰণ সম্পাদক পদত জয়ী হৈছে অগপৰ ভাতৃ সংগঠন অসম ছাত্ৰ পৰিষদৰ সমৰ্থিত প্ৰাৰ্থী কৌশিক বৰুৱা। ঢকুৱাখনাৰ কৌশিক বৰুৱা বিশ্ববিদ্যালয়খনৰ ৰাজনীতি বিজ্ঞান বিভাগৰ স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ। উপ-সভাপতি, সহকাৰী সাধাৰণ সম্পাদকৰ লগতে ৬টা পদত জয়লাভ কৰিছে আছু সমৰ্থিত প্ৰাৰ্থী। উপ-সভাপতি পদত উদীপ্ত বায়ন, সহকাৰী সাধাৰণ সম্পাদক পদত নিমিষা শইকীয়া, সাংস্কৃতিক সম্পাদক পদত বন্দিতা ডেকা, সংগীত বিভাগ সম্পাদক পদত নিবেদিতা কলিতা, ক্ৰীড়া সম্পাদক পদত ৰৌশন কুমাৰ চাহু, গুৰু খেল বিভাগৰ সম্পাদক পদত দীপজ্যোতি শৰ্মা, লঘু ক্ৰীড়া বিভাগৰ সম্পাদক পদত উজ্জ্বল কলিতা, শৰীৰচৰ্চা বিভাগৰ সম্পাদক পদত প্ৰিয়াংক বৰ্মন, সমাজ সেৱা বিভাগৰ সম্পাদক পদত দীপজ্যোতি চহৰীয়া আৰু তৰ্ক বিভাগৰ সম্পাদক পদত মিণ্টু ডেকা জয়ী হৈছে।

## বিশিষ্ট কবি-সাংবাদিক বিজয় কুমাৰ ভট্টাচাৰ্যৰ বিয়োগ

**ই-সংবাদ, শিলচৰ, ২৭ ছেপ্টেম্বৰঃ** বৰাক-ব্ৰহ্মপুত্ৰৰ মাজত সাঁকো হিচাপে থাকি সমন্বয় গঢ়া বৰাক উপত্যকাৰ বিশিষ্ট কবি, সাংবাদিক বিজয় কুমাৰ ভট্টাচাৰ্য আৰু নাই। ৬৫ বছৰ বয়সত বিজয় কুমাৰ ভট্টাচাৰ্যই শেষ নিশ্বাস ত্যাগ কৰে। দীৰ্ঘদিন ধৰি অসুস্থ ভট্টাচাৰ্য ঘৰতে আছিল যদিও আজি পুৱতি নিশা শিলচৰৰ নিজ বাসভৱনত শেষ নিশ্বাস ত্যাগ কৰে। বিজয় কুমাৰ ভট্টাচাৰ্য বৰাক উপত্যকাৰ এগৰাকী আগশাৰীৰ কবি আছিল। লগতে সমাজৰ পিছপৰা শ্ৰেণীৰ হকে চিন্তা কৰা এগৰাকী লোক বুলি পৰিচিত আছিল। ওৰেটো জীৱন কলমটোকে হাতত লৈ মানুহৰ কথা কোৱা ভট্টাচাৰ্যৰ চিৰ বিদায়ে বৰাক উপত্যকাৰ সমাজখনৰ বাবে বৃহৎ ক্ষতি। আজি পুৱাই ভট্টাচাৰ্যৰ মৃত্যুৰ খবৰ বিয়পি পৰাত গুণমুগ্ধৰে ঘৰ ভৰি পৰে। নিজ ঘৰৰ পৰা গুণমুগ্ধই তেওঁৰ মৃতদেহ শিলচৰ প্ৰেছ ক্লাৱলৈ আনে। শিলচৰ প্ৰেছ ক্লাৱত প্ৰেছ ক্লাব, কাছাৰ ই-মিডিয়া এছোচিয়েচনসহ বিভিন্ন দল-সংগঠনে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। তেওঁৰ মৃত্যুত সমগ্ৰ বৰাক উপত্যকাত শোকৰ ছাঁ পৰে।

শেষ পৃষ্ঠা

## আয়ুক্তক স্মাৰক পত্ৰ

# মৰিগাঁৱত ভূমি আইন কঠোৰভাৱে বলবৎ কৰাৰ দাবী

**ই-সংবাদ, মৰিগাঁও ,২৭ ছেপ্টেম্বৰঃ** ভূমি আইন কঠোৰভাৱে বলবৎ কৰাৰ লগতে ট্ৰাইবেল বেল্ট-ব্লকৰ বেদখলকাৰী সকলক শীঘ্ৰেই উচ্ছেদ কৰি বেদখলীকৃত মাটি মুক্ত কৰি খিলঞ্জীয়া ৰাইজক ভূমি অধিকাৰ আৰু অস্তিত্ব ৰক্ষাৰ আইনগত ব্যৱস্থা গ্ৰহণৰ দাবীত আজি মৰিগাঁও জিলাৰ ৯ টাকৈ জাতীয় সংগঠনে জিলা আয়ুক্তক উমৈহতীয়া ভাৱে আজি এখন স্মাৰক পত্ৰ প্ৰদান কৰি শীঘ্ৰেই কাৰ্যকৰী ব্যৱস্থা গ্ৰহণৰ দাবী জনাই। মৰিগাঁও জিলা ট্ৰাইবেল সংঘৰ সভাপতি প্ৰণৱজ্যোতি মছৰং,সম্পাদক জিতেন চন্দ্ৰ পাতৰ,সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ সভাপতি দিপুল কুমাৰ নাথ,ভাৰপ্ৰাপ্ত সম্পাদক দিব্যজ্যোতি চৌধুৰী,জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ সভাপতি মিৰ্জা আৰিফ আলম, সম্পাদক মাধুৰ্যময় বৰা,বীৰ লাচিত সেনাৰ সভাপতি বাবুল নাথ,সম্পাদক দীপমনি হীৰা,ট্ৰাইবেল যুথ লীগৰ সভাপতি বুবুল বৰদলৈ,সম্পাদক পঞ্চম ডেকাৰজা,তিৱা যুৱ ছাত্ৰ পৰিষদৰ সভাপতি সোমেশ্বৰ বৰদলৈ,সম্পাদক মিন্টু কুমাৰ পাতৰ,তিৱা সুৰক্ষা পৰিষদৰ সভাপতি দুলাল পাতৰ,সম্পাদক চিজয় দেউৰী,সদৌ তিৱা মহিলা সন্থাৰ সভানেত্ৰী পুষ্পা বৰদলৈ,সম্পাদিকা প্ৰিয়ম্বদা পাতৰ,বড়ো ছাত্ৰ সন্থাৰ সভাপতি জয়চন্দ্ৰ বড়ো আৰু সম্পাদক পবিত্ৰ বড়োৱে স্বাক্ষৰিত স্মাৰক পত্ৰত তেওঁলোকে উল্লেখ কৰে যে ভাৰতবৰ্ষৰ স্বাধীনতাৰ সময়ত অসমৰ জনজাতি সকলৰ ভূমি অধিকাৰ সুৰক্ষিত কৰাৰ অৰ্থে অসম ভূমি ৰাজহ আইন ১৮৮৬ ৰ দশম অধ্যায় সংযোজন কৰি ১৯৪৬ চনত লোকপ্ৰিয় গোপীনাথ বৰদলৈ চৰকাৰে ট্ৰাইবেল লীগৰ সহযোগত জনজাতি লোকসকলৰ পশ্চাদপদ আৰু আদিম অৱস্থালৈ লক্ষ্য ৰাখি এক বিধিগত প্ৰণালীৰে তেওঁলোকৰ কল্যাণ সাধন কৰিবলৈ দশম অধ্যায়টি সন্নিবিষ্ট কৰিছিল। ভূমি বেদখল হৈ থকা বুলি তথ্য সহকাৰে জিলা আয়ুক্তক দাখিল কৰি অচিৰেই বেদখলমুক্ত কৰিবলৈ আহ্বান জনায়।

# অনুসূচিত জাতিৰ নামত সংঘটিত দুৰ্নীতিৰ তদন্ত কৰিবলৈ মুখ্যমন্ত্ৰীক স্মাৰক পত্ৰ প্ৰদান

**ই-সংবাদ, ২৭ ছেপ্টেম্বৰঃ** অসমত অনুসূচিত জাতিৰ উন্নয়নৰ বাবে আৱণ্টিত ধন কাৰ জেপত সোমাই। এই কথা এতিয়া চৰ্চাৰ বিষয় হৈ পৰিছে। কিয়নো অনুসূচিত জাতিৰ বাবে আৱণ্টন দিয়া ধন কাৰ পকেটলৈ যায় সেই কথা অনুমান পোৱা গৈছিল এটা সংগঠনে শেহতীয়াকৈ সৰৱ হৈ থকা এক দুৰ্নীতিক লৈ। অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদ নামৰ সংগঠনটোৱে শেহতীয়াকৈ অসম অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ত ১৪০ কোটি টকাৰ বিয়াগোম কেলেংকাৰী সংঘটিত হোৱাৰ অভিযোগ আনিছে। ইতিমধ্যে সংগঠনটোৱে অনুসূচিত জাতি সঞ্চালকালয় ঘেৰাও কৰি প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, ৰাষ্ট্ৰীয় অনুসূচিত জাতি আয়োগ আৰু অসমৰ মুখ্যমন্ত্ৰীক অভিযোগ দাখিল কৰিছিল। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, ৰাষ্ট্ৰীয় অনুসূচিত জাতি আয়োগে অসমৰ মুখ্য সচিবক তদন্ত কৰি প্ৰতিবেদন ৰাজহুৱা কৰিবলৈ নিৰ্দেশ দিছিল যদিও তদন্ত কৰা নাই বুলি অভিযোগ উত্থাপন কৰিছে অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদে। পুনৰবাৰ আজি সংগঠনটোৱে অসমৰ মুখ্যমন্ত্ৰীক স্মাৰক পত্ৰ প্ৰদান কৰি ১৪০ কোটি টকীয়া দুৰ্নীতিৰ তদন্ত এগৰাকী অৱসৰপ্ৰাপ্ত ন্যায়াধীশৰ নেতৃত্বত কৰিবলৈ দাবী উত্থাপন কৰিছে। অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ সভাপতি সঞ্জীৱ দাস আৰু সাধাৰণ সম্পাদক লক্ষ্যজ্যোতি হাজৰিকাই দুৰ্নীতিৰ সঠিক তদন্ত নোহোৱাত তীব্ৰ ক্ষোভ ব্যক্ত কৰি কয় যে দ্বিতীয়বাৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ আয়ুক্ত সচিবক আমি স্মাৰক পত্ৰ প্ৰদান কৰিছো। শেষবাৰ ৰাজ্য চৰকাৰৰ মুৰব্বীক স্মাৰক পত্ৰ প্ৰদান কৰিছো। যদি দুৰ্নীতিৰ তদন্ত কৰে কৰক। অন্যথাই জংগী আন্দোলন কৰিবলৈ আমি সাজু হৈছো। স্মাৰক পত্ৰ যোগে সংগঠনটোৱে মুখ্যমন্ত্ৰীক কয় যে ৰাজ্য চৰকাৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগ আৰু অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ে ২০২২-২৩ বৰ্ষত আঁচনি যুগুত কৰি অনুসূচিত জাতিৰ হিতাধিকাৰীক একোটাকৈ টিভি, টিভি থবলৈ প্লাষ্টিকৰ চেবুল-চকী, প্লাষ্টিকৰ মগ, বাল্টি, প্লাষ্টিকৰ কণ্টেইনাৰ, গেছৰ চৌকা, প্ৰেচাৰ কুকাৰ দিয়াৰ ব্যৱস্থা কৰিছিল। টিভি আৰু পাকঘৰৰ সামগ্ৰী প্ৰদানৰ নামত ১৪০ কোটি টকা আৱণ্টন দিয়া বুলি অৱগত। ঠিকা লাভ কৰিছিল বিতৰ্কিত ঠিকাদাৰ নুপুৰ চাহাই। কিন্তু সামগ্ৰী বিতৰণৰ নামত বৃহৎ অনিয়ম হোৱা প্ৰত্যক্ষ কৰি বিভিন্ন কৰ্তৃপক্ষক অৱগত কৰিছিলো। কিন্তু আজিলৈ উচ্চ পৰ্যায়ৰ তদন্ত কৰা নহ'ল। হিতাধিকাৰীক দিয়া প্লাষ্টিকৰ চকীসমূহ ইমানে পাতল যে মানুহে বহিবই নোৱাৰে। টেবুলখনৰো অৱস্থা একেই। পাকঘৰৰ সামগ্ৰীসমূহ যেনে প্লাষ্টিকৰ মগ, বাল্টি, প্লাষ্টিকৰ কণ্টেইনাৰ, গেছৰ চৌকা, প্ৰেচাৰ কুকাৰ আদি প্ৰদান কৰা হৈছে। টিভিসমূহো ব্ৰেণ্ডেড নহয় আৰু অত্যন্ত কম দামৰ। বজাৰত ৬০০ টকাত লাভ কৰা প্ৰেচাৰ কুকাৰ কিনি ২৭০০ টকা দেখুৱাইছে। ২৩ হাজাৰ টকীয়া টিভি ৫৯ হাজাৰ টকাত কিনা দেখুওৱা হৈছে। এই সামগ্ৰীসমূহ নিম্ন মানদণ্ডৰ আৰু ব্যৱহাৰৰ অনুপযোগী। মুখ্যমন্ত্ৰীক স্পষ্ট কৰি কয় যে এই দুৰ্নীতিত জড়িত সঞ্চালিকা কুলশ্ৰী নাথ, সুবৰ্ণময় দেৱ আৰু প্ৰকল্প বিষয়া লিটন মিত্ৰ। অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ৰ কাৰ্যালয়টোৰ ত্ৰিমূৰ্তি কুলশ্ৰী নাথ, ষ্টেনোগ্ৰাফাৰ সুবৰ্ণময় দেৱ আৰু প্ৰকল্প বিষয়া লিটন মিত্ৰৰ বিৰুদ্ধে তদন্ত কৰক। অনুসূচিত জাতি কল্যাণ সঞ্চালকালয় আৰু সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগত সংঘটিত এই দুৰ্নীতিৰ তদন্ত কৰিবলৈ অৱসৰপ্ৰাপ্ত ন্যায়াধীশৰ নেতৃত্বত তদন্ত সমিতি গঠন কৰক। সুবৰ্ণময় দেৱ নামৰ ষ্টেনোগ্ৰাফাৰজন প্ৰায় ৫০ কোটি টকাৰ সম্পত্তিৰ গৰাকী। নিবিদাৰ নিয়ন্ত্ৰণ আৰু ঠিকাদাৰ তেওঁৰ হাতত। সুবৰ্ণময় দেৱৰ বিৰুদ্ধে কেন্দ্ৰীয় তদন্তকাৰী সংস্থা, আয়কৰ বিভাগ আৰু অসমৰ চিআইডিৰ দ্বাৰা তদন্ত কৰা হওক। প্ৰায় ৫০ হাজাৰ টকা দৰমহা পোৱা এজন লোকে কেইটামান বছৰৰ ভিতৰত ইমান সম্পত্তি গঢ়িলে কেনেকৈ? আয়তকৈ তেওঁৰ সম্পত্তি অধিক। সেয়েহে আয় বহিৰ্ভূত সম্পত্তিৰ তদন্ত কৰিবলৈ আপোনাৰ অধীনত থকা সংস্থাক নিৰ্দেশ দিবলৈ আহ্বান জনাই অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদে। অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ত ষ্টেনোগ্ৰাফাৰ পদৰ প্ৰয়োজনীয়তা নাই বুলি উল্লেখ কৰি সুবৰ্ণময় দেৱক শীঘ্ৰে ডেপুটেচনত অন্য কাৰ্যালয়লৈ বদলি কৰাৰ দাবী জনায়। লগতে লিটন মিত্ৰ অৰ্থনৈতিক পৰিসংখ্যা বিভাগৰ কৰ্মচাৰী। অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ৰ কাৰ্যালয়ৰ পৰা শীঘ্ৰে লিটন মিত্ৰক নিজৰ বিভাগ অৰ্থনৈতিক পৰিসংখ্যা বিভাগলৈ বদলি কৰিবলৈ মুখ্যমন্ত্ৰীক পুনৰবাৰ আহ্বান জনাইছে সংগঠনটোৱে।




**হোজাইত অসম ৰাজ্যিক আশাকৰ্মী ইউনিয়নৰ দ্বিতীয় ৰাজ্যিক সন্মিলন**

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
সম্পাদকঃ বিজি গগৈ (অবৈতনিক)